# বিকালিয়ান

bikaliyan

ত্রয়োদশ সংখ্যা ঃ ২০২৩-২৪ শিক্ষাবর্ষ

BIKALI COLLEGE
DHUPDHARA
STED - 1982



সম্পাদকদ্বয় – ৰিপুঞ্জয় ৰাভা, ত্রিবেণী ৰাজবংশী



Dr. Monoj Gogoi, Principal



Students' Union Year : 2022-23



Students' Union Year : 2023-24

# বিকালিয়ান

## আলোচনী

## বিকালী মহাবিদ্যালয়

BIKALI COLLEGE
DHUPDHARA
ESTD - 1982

### ত্রয়োদশ সংখ্যা

২০২২-২০২৪ ইং শিক্ষা বর্ষ


তত্ত্বাৱধায়ক

দীপিকা ৰাভা

দীপশিখা ভৰদ্বাজ

সম্পাদকদ্বয়

ৰিপুঞ্জয় ৰাভা

ত্ৰিবেণী ৰাজবংশী

বিকালিয়ান ঃ বিকালী মহাবিদ্যালয়ৰ ত্ৰয়োদশ সংখ্যক বাৰ্ষিক আলোচনী। বিকালী ছাত্ৰ একাত সভাৰ দ্বাৰা প্ৰকাশিত আৰু ৰিপুঞ্জয় ৰাভা আৰু ত্ৰিবেণী ৰাজবংশীৰ দ্বাৰা সম্পাদিত।

**BIKALIAN**

*The magazine of Bikali College, Dhupdhara, published by Bikali College Students' Union Edited by Ripunjay Rabha and Tribeni Rajbangshi and Printed at White Leaf Publication, Dhupdhara.*

## সম্পাদনা সমিতি

উপদেষ্টা ঃ স্বৰ্ণ লতা দাস

সভাপতি ঃ ড° মনোজ গগৈ

তত্ত্বাৱধায়ক ঃ দীপিকা ৰাভা, দীপশিখা ভৰদ্বাজ

শিক্ষক সদস্য/সদস্যা ঃ ড° কুলেন্দু নাথ, ড° সীমাশ্ৰী দৈমাৰী, অমল ৰাভা

সম্পাদকদ্বয় ঃ ৰিপুঞ্জয় ৰাভা, ত্ৰিবেণী ৰাজবংশী

ছাত্ৰ সদস্য/সদস্যা ঃ মজনু ৰাভা, আনন্দ ৰাভা, হিমাশ্ৰী ৰাভা

বেটুপাত ঃ মিণ্টু সূত্ৰধৰ

মুদ্ৰণ ঃ হ'ৱাইট লিফ পাব্লিকেশ্বন, ধূপধৰা

# শ্ৰদ্ধাঞ্জলি

শৈক্ষিক দিশত অগ্ৰসৰ বিকালী অঞ্চলত

শিক্ষাৰ জ্যোতি বিলাবলৈ অহোপুৰুষাৰ্থ কৰি

বিকালী মহবিদ্যালয়

প্ৰতিষ্ঠাৰে আমাক জ্ঞান অন্বেষণৰ

সুবিধা দিয়া প্ৰয়াত পুৰোধা স্বনামধন্য ব্যক্তিসকলৰ

পবিত্ৰ সোঁৱৰণত

উছৰ্গা কৰিলোঁ

সম্পাদনা সমিতি

বিকালিয়ান

OFFICE OF THE PRINCIPAL
**BIKALI COLLEGE :: DHUPDHARA**
P.O. : Dhupdhara, Dist. Goalpara, Assam, PIN : 783123
Website :www.bikalicollege.org.
Email: bikalicollege@gmail.com



## শুভেচ্ছা বাণী

আমি জানিবলৈ পাই সুখী হৈছোঁ যে এইবেলি বিকালী মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী "বিকালিয়ান" প্ৰকাশৰ বাবে যো-জা কৰিছে। "বিকালিয়ান" মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক চিন্তাৰ ভঁৰাল তথা বিদ্যায়তনিক দাপোন স্বৰূপ। বিকালিয়ান বিকালী মহাবিদ্যালয়ৰ গৌৰৱোজ্জ্বল ইতিহাস আৰু শিক্ষক-শিক্ষাৰ্থীসকলৰ মনৰ খবৰ প্ৰকাশৰৰ এক মাধ্যম হোৱাৰ উপৰিও বৌদ্ধিক বিকাশৰ পথ প্ৰশস্ত কৰাত সহায় কৰিব বুলি আশা কৰিলোঁ।

অসমীয়া ভাষা-সাহিত্যৰ প্ৰতি প্ৰতিজন ছাত্ৰ-ছাত্ৰীক আকৃষ্ট কৰাৰ ক্ষেত্ৰত অবিৰত সংগ্ৰাম চলাই যোৱাৰ বাবে পথ প্ৰদৰ্শকৰ দায়িত্ব পালন কৰিব বুলি গভীৰ প্ৰত্যাশাৰে উদ্যোক্তাসকলোলৈ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিলোঁ।

ড° মনোজ গগৈ
অধ্যক্ষ
বিকালী মহাবিদ্যালয়, ধূপধৰা

# সম্পাদকীয়





জয় জয়তে মই বিকালী মহাবিদ্যালয়ৰ সমূহ অধ্যাপক-অধ্যাপিকা, বন্ধু-বান্ধৱী তথা সকলো ছাত্ৰ-ছাত্ৰীসকললৈ আমাৰ আন্তৰিক ধন্যবাদ আৰু শ্ৰদ্ধাভৰা কৃতজ্ঞতা জ্ঞাপন কৰিলো। নমস্য মহান বিদ্যানুৰাগী তথা সমাজসেৱী ব্যক্তিৰ আপ্ৰাণ চেষ্টা আৰু অসীম ত্যাগৰ বিনিময়ত গোৱালপাৰা জিলাৰ পূব প্ৰান্তত অৱস্থিত ধূপধৰা অঞ্চলৰ বিকালী মৌজাৰ অন্তৰ্গত তথা ওচৰ চুবুৰীয়া আৰু বহুকেইখন গাঁৱৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে একমাত্ৰ উচ্চ শিক্ষানুষ্ঠান হিচাপে 'বিকালী মহাবিদ্যালয়' নামৰ এই পৱিত্ৰ বিদ্যা মন্দিৰটো ১৯৮২ চনত গঢ় লৈ উঠে। তেওঁলোকৰ সেই কষ্ট সহিষ্ণুতা, ত্যাগ, চিন্তা, বুদ্ধি বৃত্তিৰ বাবেই আজি আমি ইয়াত সুন্দৰ ভাবে উচ্চ শিক্ষা গ্ৰহণ কৰিবলৈ সক্ষম হৈছোঁ। সেইসকল নমস্য মহান ব্যক্তিক যিসকল ব্যক্তিয়ে এই পৱিত্ৰ জ্ঞান মন্দিৰটি গঢ়ি তোলাত অহোপুৰুষাৰ্থ চেষ্টা চলাইছিল আৰু আজি অশেষ কষ্ট, ত্যাগ স্বীকাৰ কৰি ইহলীলা সম্বৰণ কৰি গ'ল; তেওঁলোকলৈ আমি শ্ৰদ্ধাৰ্ঘ্য যাচিলোঁ। জাতিটোৰ ভাষা, সাহিত্য, কলা-সংস্কৃতি, শিক্ষা আদিৰ ভেটি বান্ধি যোৱা মহান শত সহস্ৰ জনকো আমি সশ্ৰদ্ধ প্ৰণাম যাচিছোঁ লগতে জাতিৰ সাহিত্যৰ ক্ষেত্ৰখনত বৰ্তমানেও উৰ্ব্বৰা কৰি ধৰি ৰখা সাহিত্যানুৰাগী নমস্য জনক জনালোঁ শত সহস্ৰ প্ৰণিপাত। এই সম্পাদকীয়ৰ জৰিয়তে মই একাঁজলি হিয়াভৰা অশ্ৰু অঞ্জলি যাচিছোঁ সেই সকল পুণ্যাত্মা বীৰ শ্বহীদলৈ যিসকল বীৰ শ্বহীদে আমাৰ দেশ-মাতৃৰ হকে, নিজৰ জাতিৰ হকে প্ৰাণ আহুতি দিলে।

"ছাত্ৰনাং অধ্যয়নাং তপঃ। অধ্যয়নেই হ'ল ছাত্ৰ-ছাত্ৰীৰ প্ৰধান কৰ্তব্য। কিন্তু অকল অধ্যয়নৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীৰ জ্ঞানৰ পৰিসৰহে বৃদ্ধি হ'ব পাৰে কিন্তু ছাত্ৰ-ছাত্ৰীৰ সুপ্ত প্ৰতিভাৰ বিকাশ নঘটে। সেয়ে বিভিন্ন খেল-ধেমালি, নৃত্য-গীত, অভিনয়, নিজস্ব চিন্তা-ভাৱনা তথা ৰুচি-অভিৰুচিৰে লিখা-মেলা কৰা এইবোৰ ছাত্ৰ-ছাত্ৰীসকলৰ শাৰীৰিক আৰু মানসিক উৎকৰ্ষ সাধনৰ একো একোটা মাধ্যম। সেয়ে ছাত্ৰ-ছাত্ৰীসকলে অধ্যয়নৰ লগত নিজৰ নিজৰ সুপ্ত প্ৰতিভা সমূহ বিকাশৰ বাবে যত্ন কৰিব লাগে। কিন্তু বৰ্তমান সময়ত দেখা যায় বিজ্ঞানৰ বহুল প্ৰচলন তথা ইণ্টাৰনেটৰ বহুল প্ৰয়োগ ছাত্ৰ-ছাত্ৰীসকলে অবাবতেই কৰি থাকে আৰু সৃষ্টিশীল কৰ্মত কোনো মনোনিৱেশ বা আগ্ৰহ প্ৰকাশ নকৰে। যাৰ ফলত উঠি অহা নৱ প্ৰজন্মৰ বহুসংখ্যকেই ধ্বংসৰ দিশে গতি কৰিবলৈ আৰম্ভ কৰিছে। সেয়ে ছাত্ৰ-ছাত্ৰীসকলে নিজৰ ভাৱ, চিন্তা, ৰুচি-অভিৰুচিৰ সৃজনশীল দিশত নিজকে মনোনিৱেশ কৰি নিজৰ নিজৰ সুপ্ত প্ৰতিভাবোৰ বিকাশ সাধন কৰিবলৈ আপ্ৰাণ চেষ্টা হাতত ল'ব লাগে।

সাহিত্য হৈছে এটা জাতিৰ দাপোণ স্বৰূপ। এটা জাতিৰ ভাষা সাহিত্য, কলা-সংস্কৃতি, ৰাজনীতি, অৰ্থনীতি, শিক্ষা আদি সকলো দিশৰ সুন্দৰ নিদৰ্শন পোৱা যায় সেই জাতিটোৰ সাহিত্যৰ যোগেদি। সাহিত্য জাতিৰ প্ৰাণ স্বৰূপ। সাহিত্য অবিহনে এটা জাতি জীয়াই থাকিব নোৱাৰে। বোৱঁতী নদীৰ সৈতে সাহিত্যক তুলনা কৰা হয়। সাহিত্য মানৱ জীৱনৰ মেৰুদণ্ড স্বৰূপ। সাহিত্য মানৱ জীৱনৰ অভিজ্ঞতা পুষ্ট ভাবৰ বহিঃ প্ৰকাশ। সাহিত্যিকৰ

কলমে ব্যক্তিগত জীৱনৰ পৰা আৰম্ভ কৰি সমাজত সংঘটিত হোৱা অন্যায়, অত্যাচাৰ, হত্যা আদি সকলোবোৰ সামৰি লয় আৰু তাৰ মাজেৰে তেওঁলোকৰ নিজস্ব চিন্তা ধাৰাৰ বহিঃ প্ৰকাশ ঘটে। তেনে এটা আশা বুকুত বান্ধি ছাত্ৰ-ছাত্ৰীসকলৰ পৰা সামাজিক চেতনাৰে উদ্বুদ্ধ লিখনি আশা কৰিছিলো।

ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতিভা বিকাশত মহাবিদ্যালয়ৰ আলোচনী এখনে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰা দেখা যায়। সেয়ে এনে এক মহান উদ্দেশ্য আগত ৰাখিয়েই আমাৰ মহাবিদ্যালয় খনতো 'বিকালিয়ান' নামৰ আলোচনীখন নিয়মীয়াকৈ প্ৰকাশ কৰা হয়। উক্ত আলোচনীখনৰ যোগেদি বহুত সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে নিজৰ চিন্তাধাৰাক মূৰ্ত ৰূপ দিবলৈ সুবিধা লাভ কৰে। কিন্তু বৰ্তমান সময়ত সেই দিশটোৰ ওলোটা ফলহে পৰিলক্ষিত হোৱা দেখা যায়। আলোচনীখনৰ বাবে ছাত্ৰ-ছাত্ৰীসকলৰ পৰা সৃষ্টিশীল বা মৌলিক লিখনি লাভ কৰাটো খুবেই কঠিন হৈ পৰিছে। আলোচনী এখনৰ মানদণ্ড বহন কৰে তাৰ ভিতৰত থকা লেখক লেখিকাৰ লিখনিসমূহে। কিন্তু আমি বিকালী মহাবিদ্যালয় ছাত্ৰ-ছাত্ৰীৰ পৰা তেনেধৰণৰ মানবিশিষ্ট লিখনিৰ অভাৱ খুবেই অনুভৱ কৰিছোঁ। আলোচনীখন প্ৰকাশ কৰিবলৈ লৈ এনে পুতৌ লগা অৱস্থা দেখি আমি বিমোৰত পৰিছিলো। তথাপি কম সংখ্যক ছাত্ৰ-ছাত্ৰীৰ উৎকৃষ্ট লিখনীৰে আৰু নবীন-প্ৰবীণ ছাত্ৰ-ছাত্ৰীসকলে লিখা লিখনিসমূহ উৎসাহ তথা প্ৰেৰণা দিয়াৰ মানসেৰে যথাসম্ভৱ সম্পাদনা ৰীতিৰে প্ৰকাশ কৰাৰ ব্যৱস্থা কৰিলো। তেওঁলোকে যেন আগন্তুক দিনবোৰত উৎকৃষ্ট মানৰ লিখনীৰে 'বিকালিয়ান' খনৰ সৌষ্ঠৱ বৃদ্ধি কৰে আৰু বৰ্তমানৰ এই অভাৱ আগলৈ মষিমূৰ কৰে তাৰেই কামনা কৰিলোঁ।

সাম্প্ৰতিক কালত ঘটি থকা সকলোবোৰ ঘটনা সাহিত্যৰ মাধ্যমেৰে প্ৰকাশ পায়। সেয়ে মহাবিদ্যালয়ৰ আলোচনী এখনতো মহাবিদ্যালয় এখনৰ বাস্তৱ চিত্ৰ, চিন্তা-চেতনা, জ্ঞান-বুদ্ধিৰ প্ৰতিফলন ঘটে ছাত্ৰ-ছাত্ৰীসকলৰ লিখনীসমূহৰ যোগেদি। বুকুত মৰসাহ গোটাই অতি কষ্টেৰে আলোচনীখন প্ৰকাশৰ পদক্ষেপ গ্ৰহণ কৰি নিজৰ সীমিত জ্ঞান-বুদ্ধিৰে আজি 'বিকালিয়ান' খন প্ৰকাশৰ বাবে প্ৰস্তুত কৰিলো। আলোচনীখন প্ৰকাশৰ ক্ষেত্ৰত ভুল-ভ্ৰান্তি নৈ নোযোৱা বুলি সন্দেহাতীত নহওঁ। সেয়ে পাঠক সমাজে তথা সচেতন সাহিত্যানুৰাগীয়ে গঠনমূলক সমালোচনাৰে ভুল-ত্ৰুটিসমূহ আঙুলিয়াই দিলে পৰৱৰ্তী প্ৰকাশ ইয়াতকৈ সুন্দৰ হ'ব বুলি আশা কৰিলোঁ।

শেষত আলোচনীখন উলিওৱাত দিহা-পৰামৰ্শ আগবঢ়োৱা আলোচনী সম্পাদনা সমিতিৰ সমূহ বিষয়ববীয়া আমি আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। তেওঁলোকৰ উপৰিও আমাক আলোচনীখন প্ৰকাশৰ ক্ষেত্ৰত প্ৰতিটো মুহূৰ্ততে সাহস দিয়া আমাৰ শ্ৰদ্ধাৰ অধ্যাপক-অধ্যাপিকা সকলোলৈও মই আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। আলোচনীখন প্ৰকাশৰ ক্ষেত্ৰত যিসকল ছাত্ৰ-ছাত্ৰীয়ে নিজস্ব ৰুচি-অভিৰুচিৰে তথা চিন্তা-চৰ্চাৰে কবিতা, গল্প, প্ৰবন্ধ আদিৰ দৰে বিভিন্ন ৰচনা সম্ভাৰেৰে 'বিকালিয়ান'খন প্ৰকাশ কৰি তোলাত সাফল্য মণ্ডিত কৰিলে সেই সকলোলৈও আমি ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলো।

সদৌ শেষত আলোচনীখন অতি কম সময়ৰ ভিতৰত প্ৰকাশ কৰি উলিওৱাত পাৰ্য্যমানে সহায় আগবঢ়োৱা হ'ৱাইট লিফ্ পাব্লিকেশ্বন, ধূপধৰাৰ স্বত্বাধিকাৰী শ্ৰীহিতেশ ৰায়দেৱলৈ অশেষ ধন্যবাদ আৰু কৃতজ্ঞতা জনালোঁ। তেখেতে বহু কষ্টেৰে আলোচনীখন কম সময়ৰ ভিতৰত মোৰ হাতত তুলি দিয়ে আৰু প্ৰকাশৰ উপযোগী কৰি তোলে। মোৰ সকলো কাৰ্যতে দিহা-পৰামৰ্শ আগবঢ়োৱা তত্বাৱধায়ক মাননীয়া দীপিকা ৰাভা আৰু দীপশিখা ভৰদ্বাজ বাইদেউলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো। তেওঁলোকৰ ওচৰত আমি চিৰ কৃতজ্ঞ হৈ ৰম। তেওঁলোকে

আমাক আলোচনীখন প্ৰকাশৰ বাবে সম্পূৰ্ণ দায়িত্ব দি যি অভিজ্ঞতা আহৰণত সহায় কৰিলে সেই অভিজ্ঞতাৰে মই আগলৈ এনেধৰণৰ কাৰ্যত নিজৰ ভূমিকা আগবঢ়াব পাৰিম। আমাৰ প্ৰথমতে এই বিষয়ত একেবাৰে জ্ঞান শূন্য হৈ আছিলো, এতিয়া আমি এই পদবীত অধিষ্ঠিত হৈ মহাবিদ্যালয়ৰ আলোচনীখন প্ৰকাশ কৰাৰ দায়িত্বভাৰ লোৱাৰ পিছত আমাৰ সেই বিষয়ৰ ওপৰত বহুখিনি জ্ঞান আয়ত্ব কৰিব পাৰিলো বুলি নিশ্চিত ভাবে ক'ব পাৰো।

বিকালী মহাবিদ্যালয়ৰ আলোচনী 'বিকালিয়ান' খনে সাহিত্যাকাশত জিলিকি উঠক তাৰেই কামনা কৰিলো লগতে বিকালী মহাবিদ্যালয়ৰ সৰ্বাংগীণ উন্নতি তথা উত্তৰোত্তৰ ভৱিষ্যত কামনা কৰি আকৌ এবাৰ সমূহ মহাবিদ্যালয় কৰ্তৃপক্ষ, অধ্যাপক, অধ্যাপিকা, দাদা-বাইদেউ, ভাইটি-ভণ্টি তথা বন্ধু-বান্ধৱীসকলোকে অনিচ্ছাকৃত ভাবে ৰৈ যোৱা সকলো ভুলৰ ক্ষমা প্ৰাৰ্থনা বিচাৰি সম্পাদকীয়ৰ সামৰণি মাৰিলো।

"জয়তু বিকালিয়ান"

"জয়তু বিকালী মহাবিদ্যালয়, ধূপধৰা"

শ্ৰদ্ধাৰে-

ৰিপুঞ্জয় ৰাভা
ত্ৰিবেণী ৰাজবংশী
যুটীয়া সম্পাদক
বিকালিয়ান

## সূচীপত্ৰ

পৃষ্ঠা নং

- দক্ষিণ কামৰূপৰ লোকনাট্যধৰ্মী অনুষ্ঠান ঃ ভাৰীগান — সুভদ্ৰা ৰাভা — ১
- শাখাতি গাঁৱৰ শ্ৰীশ্ৰী দুৰ্গা মাঁ গোঁসানী থানত অনুষ্ঠিত দুৰ্গোৎসৱ — হৰিপ্ৰিয়া দাস — ৭
- অধ্যাৱসায়ৰ শক্তি — জিমণি বৈশ্য — ১২
- ৰংজুলিৰ বাঁহ সংস্কৃতিঃ এক চমু আলোকপাত — ভূমিজা তালুকদাৰ — ১৪
- উচ্চাকাংক্ষা — মুন ৰাজ খাখলাৰী — ২০
- সময়ৰ সোঁতত সংবাদ মাধ্যম — মনদ্বীপ নাথ — ২৩
- ছাত্ৰ জীৱনত সামাজিক মাধ্যমৰ প্ৰভাৱ — পূজা বড়ো — ২৪
- Leveraging Social Media to reach out users of Central Library of Bikali College Dhupdhara: A Case Study — Nishant Kashyap Ghatowar, Jitu Moni Das — ২৫
- Analyzing the trend of Female Labour Force Participation and Total Fertility Rates in Indian states — Ankita Hazarika, — ৩২
- Agnipath Defence Policy Reform — Rukshar Begam — ৩৬
- The Devasting Floods in Assam
- A wake-up call — Shabina Begum — ৩৮
- Citizen Journalism — Anjan Das — ৪০
- আকৌ লগ পোৱাৰ প্ৰতিশ্ৰুতি — কৃস্মিতা দাস — ৪২
- আধুনিকতা — ৰাজিৱ বৰ্মন — ৪৩
- জোনাক নিশা — ৰিয়া কলিতা — ৪৪
- আৱদ্ধ — সঞ্জিতা ডেকা — ৪৫
- নিস্তব্ধ বিকালী — অনুপ ৰাভা — ৪৬
- স্মৃতি — প্ৰিয়া বড়ো — ৪৭
- বিকালী আমাৰ জননী — বিকাশ দাস — ৪৮
- দেৱী দুৰ্গা — গীতাঞ্জলি সুত্ৰধৰ — ৪৯
- প্ৰতিবেদন — ৫০
- RESULT OF DIFFERENT COMPETITION HELD IN COLLEGE WEEK, SESSION 2022-23 — ৬০

••••••

# দক্ষিণ কামৰূপৰ লোকনাট্যধৰ্মী অনুষ্ঠান ঃ ভাৰীগান

• সুভদ্ৰা ৰাভা •
প্ৰাক্তন ছাত্ৰী, অসমীয়া বিভাগ

**অসমৰ পৰিৱেশ্য কলাঃ**

পৰিৱেশ্য কলা বুলিলে পুতলা নাচ, ঢুলীয়া ভাওনা, ওজাপালি, ভাৰীগান আদিকে বুজা যায়। পৰিৱেশ্য কলাই নিৰ্দিষ্ট ৰূপৰ মাজেৰে স্বৰূপাৰ্থত লিখিত কলাক চাক্ষুষ ৰূপ দিছে। পৰিৱেশ্য কলাৰ মাধ্যমেৰে গীত-পদ, বচন-প্ৰবচন, লোকোক্তি-প্ৰাজ্ঞোক্তি, শ্ৰুতি-জনশ্ৰুতি, মালিতা বা কাহিনী গীত, লিখিত নাট-নাটক আদিয়ে নৃত্য-গীত, বাদ্য-বাজনা, অভিনয় আদিৰ মাজেৰে দৃশ্য-শ্ৰব্য ৰূপ পৰিগ্ৰহ কৰে। মুঠতে নিৰ্বাহিকাসকলে বিশেষ নিয়ম-কানুন মানি অৰ্থাৎ পৰম্পৰাগত সাংগীতিক বৈশিষ্ট্য অব্যাহত ৰাখি সামাজিকৰ আগত পৰিৱেশন বা প্ৰদৰ্শিত গীত-কাহিনী-নাচ আদিয়েই পৰিৱেশ্য কলা অৰ্থাৎ নিৰ্বাহিকাসকলে বিশেষ বিশেষ অনুষংগত অনুষ্ঠিত গীত-পদ, কথা-কাহিনীৰ অভিনায়িক ৰূপ প্ৰদানেই পৰিৱেশ্য কলা।

লোক পৰিৱেশ্য কলাই হওক বা পৰিৱেশ্য কলাই হওক বা জনজাতীয় পৰিৱেশ্য কলাই হওক—ই সংস্কৃতিৰ আন তিনিটা ক্ষেত্ৰ বা দিশৰ সৈতে অংগাংগী সম্পৰ্ক ৰক্ষা কৰি আহিছে। লিখিত গীত-পদ আদি শ্ৰব্য সমলে দৃশ্যৰূপ লাভ কৰে পৰিৱেশ্য কলাৰ মাজেৰে। ধৰ্মীয় অনুষংগতেই বিবিধ গীত-নৃত্য-অভিনয়-নাটক আদিৰ জন্ম হয়। "সংস্কৃত নাটৰ উদ্ভৱৰ সময়ৰ পৰা অৰ্থাৎ প্ৰাক-শংকৰী যুগৰ পৰাই প্ৰচলিত হৈ অহা অসমৰ লোক নাট্যানুষ্ঠান, যেনে— পুতলা নাচ, ওজাপালি, ঢুলীয়া ভাওনা, জয় ঢুলীয়া, খুলীয়া ভাওনা আৰু কুশান গানৰ সমধৰ্মী নৃত্য-গীত আৰু অভিনয় প্ৰধান এক শ্ৰেণীৰ উল্লেখযোগ্য লোক-নাট্যানুষ্ঠান অসমৰ দক্ষিণ-কামৰূপ আৰু গোৱালপাৰা জিলাৰ পশ্চিম অঞ্চল আৰু অসম মেঘালয় সীমান্তত অৱস্থিত ৰাভা অধ্যুষিত অঞ্চলত প্ৰচলিত হৈ আহিছে। অৱসৰ বিনোদনৰ উদ্দেশ্য লোক সমাজত পৰম্পৰাগতভাৱে প্ৰচলিত হৈ অহা পৰম্পৰাগত লোক নাট্যানুষ্ঠান হিচাপে ভাৰীগানৰ উৎপত্তিৰ সঠিক সময় নিৰ্ণয় কৰা সম্ভৱপৰ নহয়। ভাৰীগানৰ উৎপত্তিৰ উৎস সৰ্বভাৰীতয় কথকতা

পৰম্পৰা যদিও এই শ্ৰেণীৰ নাট্যানুষ্ঠানৰ কোনো প্ৰাচীন লিখিত তথ্য ভাৰীগান প্ৰচলিত অঞ্চলসমূহত পোৱা নাযায়। সাধাৰণতে ৰামায়ণ, মহাভাৰত আৰু পুৰাণ কথা, ৰামকথা অথবা ৰামকথাও কাহিনীৰ পৰাই ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তত ব্যাপকভাৱে কলা, যেনে— ওজাপালি, ভাৰীগান, ঢুলীয়া ভাওনা ইত্যাদিৰ উল্লেখ কৰিব পাৰি। 'ভাৰীগান' শব্দৰ ব্যুৎপত্তিৰ ক্ষেত্ৰত অলেখ মতাদৰ্শন পোৱা যায়। 'ভাৰ' বা 'বোজা' অথবা 'গধুৰ' শব্দৰ্থৰ পৰাই ভাৰীগানৰ উৎপত্তি হোৱা অনুমান কৰা হৈছে। ভাৰীগান নাট্যানুষ্ঠানত পোচাক-পাতি পিন্ধাৰ উপৰি মুখা পিন্ধি অভিনয় কৰে। সেয়েহে অন্য ঠাইলৈ অভিনয় প্ৰদৰ্শনৰ বাবে যাঁওতে পোচাক-পাতি, সাজ-সৰঞ্জম আৰু মুখা ভাৰ বান্ধি নিব লগীয়া হয়। ভাৰ বান্ধি অনা-নিয়া কৰাৰ বাবে একোজন নিৰ্দিষ্ট মানুহক দায়িত্ব দিয়া হয়। নিৰ্দিষ্ট মানুহজনে সভক্তিৰে গা-মুৰ ধুই পৱিত্ৰবাৱেৰে সেই ভাৰ বহন কৰি গন্তব্য স্থানলৈ যায়। এনেদৰে ভাৰ বহন কৰি অনা-নিয়া কৰা মানুহজনক 'ভাৰী' বোলে।

**ভাৰীগানৰ মূল আৰু পালিঃ**

ভাৰীগানৰ মুখ্য বক্তিজন 'ওজা' বা মূল গাউনীয়া নামেৰে জনাজাত। ভাৰীগানৰ দলিত ওজা বা মূল গায়কজনৰ দায়িত্ব আৰু কৰ্তব্য অতি বেছি। নাটক প্ৰদৰ্শনৰ সময়ত ওজাজনে ভাৰীগানৰ আৰম্ভণি বন্দনাৰ পৰা শেষলৈকে কেৱল গীত পৰিৱেশন আৰু অঙ্গী-ভঙ্গীৰে নাটৰ প্ৰতিপাদ্য বিষয় উপস্থাপন কৰে। ওজাই ভৰিত নুপূৰ আৰু হাতত চোঁৰৰ লৈ গীতৰ মাধ্যমেৰে ভাও বা দৃশ্যসমূহৰ আগে আগে সূত্ৰধাৰ ৰূপে দৰ্শক ৰাজিক নাটকত বৰ্ণিত কথাবস্তু বন্দনা বা গীতৰ সুৰেৰে বুজাবলৈ চেষ্টা কৰে। নাটকৰ প্ৰতিটো দৃশ্যত গীত পৰিৱেশন আৰু ঘটনা-পৰিঘটনাৰ ৰহস্যৰ বিৱৰণী প্ৰকাশ কৰি সংযোগ স্থাপন কৰাটোৱে ওজা চৰিত্ৰৰ মুখ্য উদ্দেশ্য। কিছুমান ভাৰীগানৰ দলক ওজাজনে পৰিচালনা কৰাৰ উপৰি সম্পাদকৰ দায়িত্বও পালন কৰে। নাটক প্ৰদৰ্শনৰ সময়ত ওজাজনে সুধ বগা হাতে বোৱা ধুতি সদৃশ গামোচা, পাঞ্জাবী আৰু গাত চেলেং সদৃশ পাগুৰী বিন্ধি গীত পৰিৱেশন কৰে। মূৰত পিন্ধা টুপীটোৰ কাষত বগা কাপোৰ মেৰিয়াই (মূৰত মৰা বিহু গামোচা সদৃশ) কাপোৰৰ এটা অংশ কাণৰ কাষত ওলোমাই ৰাখে। নাটক প্ৰদৰ্শনত ব্যৱহৃত সকলো সামগ্ৰী যেনে— মুখা, খোল, ঝালী, বস্ত্ৰ, আসন আৰু চৰিত্ৰ অনুসৰি ব্যৱহৃত সকলো বয়বস্তু ওজাজনৰ দায়িত্বত ওজাৰ ঘৰত অথবা থান ঘৰ সাজি আচুতীয়াকৈ ৰখাটো নিয়ম। সংৰক্ষিত কৰি ৰখা থানত বিহু, সংক্ৰান্তি, অম্বুবাচী আদি শুধি কৰি ধুপ-ধূনা, মাহ-প্ৰসাদেৰে পূজা কৰাৰ দায়িত্ব ওজাজনে পালন কৰে। ভাৰীগানৰ নাট প্ৰদৰ্শনকাৰী মুখাধাৰী কোনো চৰিত্ৰক দৰ্শকৰ শাৰীত থকা সৰু ল'ৰা-ছোৱালীয়ে ভয় খালে অথবা কোনো লোকক দেও লম্ভিলে ওজাই চোঁৰৰ পাটেৰে বুলাৰ্ দি আৰোগ্য কৰে। লোক পৰম্পৰা অনুসৰি ওজাৰূপী গুৰুৰ সান্নিধ্যৰ পৰাই ভাৰীগানৰ সকলো শিক্ষা লাভ কৰে। এনেদৰে গ্ৰহণ কৰা শিক্ষাই এগৰাকী পালিৰ ওজা হোৱাৰ যোগ্যতাৰ মাপকাঠি যদিও মহীৰাৱণবধৰ দৰে দীঘলীয়া নাট প্ৰদৰ্শনৰ সময়ত ৪/৫ ঘণ্টা জুৰি অনৰ্গলভাৱে গীত পৰিৱেশন কৰাটো গভীৰ অনুশীলন আৰু জন্মগতভাৱে লাভ কৰা কিছু ঐশ্বৰিক গুণসম্পন্ন ব্যক্তিৰ দ্বাৰাহে সম্ভৱ বুলি বিশ্বাস কৰে। সেয়ে ভাৰীগান দলৰ যিকোনো সদস্যই ওজাৰ দায়িত্ব পালন কৰিব নোৱাৰে। নাট প্ৰদৰ্শনৰ আমন্ত্ৰণ পালে আগতীয়াকৈ সংৰক্ষিত মুখা আৰু অন্যান্য সামগ্ৰী পৰিষ্কাৰ কৰাৰ উপৰিও ৰং কৰাৰ কাৰ্য ওজাজনে সম্পাদন কৰে।

**পালি বা পাইলঃ**

ভাৰীগানৰ দলত অতি কমেও ৫/৭ জন পালি থাকে। মূল গায়কৰূপী ওজাজনে গোৱাগীত লগে লগে পালিসকলে গাই যায় আৰু দৰ্শকৰ মনোৰঞ্জনৰ বাবে প্ৰতিপাদ্য বিষয়ৰ বুজনি দিয়াৰ উদ্দেশ্য দোহৰ দিয়ে।

ওজাৰ সৈতে ধুৰাপদ আৰু ধূৰা বন্দনা পালিসকলে গোৰাটো নিয়ম। নাটক প্ৰদৰ্শনৰ সময়ত পালিসকলৰ মাজত দক্ষতাসম্পন্ন পালি এজেন দোহৰ দিয়ে। পালিসকল সুকণ্ঠী হোৱাটো অতি আৱশ্যক। সেয়ে নাট প্ৰদৰ্শনৰ বাবে আমন্ত্ৰণ পালে আগতীয়াকৈ ওজা আৰু পালিয়ে মিলি আখৰা কৰা দেখা যায়। লগতে ওজাৰ দৰে শুধ বগা ধুতি সদৃশ গামোচা পিন্ধি ডিঙিত আৰু পাগুৰী পৰিধান কৰাটো বাধ্যতামূলক।

**ভাৰীগানঃ**

দক্ষিণ কামৰূপৰ বৃহত্তৰ বন্দাপাৰা, ৰাজাপাৰা আৰু ছৈকাটা অঞ্চলত বিশেষকৈ বন্দাপাৰাক কেন্দ্ৰ কৰি গঠিত ভাৰীগান দল হিন্দুধৰ্মী বিভিন্ন জাতি-জনগোষ্ঠীৰ লোকে স্থাপন কৰা এক অন্যতম লোক নাট্যানুষ্ঠান। ১৭৭০ খ্ৰীষ্টাব্দত স্থাপিত এই দলটিক ওজা, অভিনেতা, কলা-কুশলীসকলে পৰিচালিত কৰি আহিছে।

বন্দাপাৰা গাঁৱৰ কেন্দ্ৰস্থলত মাঁ ভগৱতী মন্দিৰত বিশেষকৈ মঙ্গলবাৰ আৰু শনিবাৰে পূজা-অৰ্চনা কৰি মুখাসমূহ সক্ৰিয় কৰি ৰাখে আৰু যাৱতীয় সামগ্ৰী সংৰক্ষণ কৰি ৰখা হয়। পৰিচালকসকলে ঋতুগতভাৱে পূজা কৰে আৰু অম্বুবাচী, ব'হাগ বিহুৰ প্ৰথম দিনা শুচি কৰাৰ পৰম্পৰা সাম্প্ৰতিক সময়লৈকে বিৰাজমান। কাতি মাহৰ সংক্ৰান্তিৰ দিনাও চাকি জ্বলোৱা হয়। এই দলটি বিশষভাৱে ভাৰীগানৰ লোক বিশ্বাস আৰু ধৰ্মীয় ৰীতি-নীতৰ আধাৰত গঠন কৰা হৈছে। বন্দাপাৰা ভাৰীগান দলে প্ৰধানকৈ ৰাৱণ বধ আৰু দধি মথন নাটক প্ৰদৰ্শন কৰি জনপ্ৰিয়তা লাভ কৰি আহিছে।

দক্ষিণ কামৰূপৰ বন্দাপাৰা অঞ্চলৰ ভাৰীগান দলটিয়ে বৰ্তমানলৈকে এদিনীয়া কাৰ্যসূচীত ৰাৱণ বধ নাটখনেহে পৰিৱেশন কৰে আৰু কিছুমান ৰাজহুৱা অনুষ্ঠানসমূহ দুদিনীয়া কাৰ্যসূচী হ'লে 'দধি মথন'ৰ নাট পৰিৱেশন কৰা পৰিলক্ষিত হয়।

ৰাৱণ বধ আৰম্ভণিতে খোলৰ বন্দনা কৰা হয়, ইয়াৰ পাছত ওজাজনে মঞ্চত প্ৰৱেশ কৰি সেৰা কৰি ভৰিত নুপূৰ পিন্ধি বন্দনাৰ গীত আৰম্ভ কৰা হয়। পাছত একাদিক্ৰমে চৰিত্ৰসমূহ প্ৰৱেশ কৰে। প্ৰথমে ৰাম-লক্ষ্মণৰ প্ৰৱেশ তাৰ পাছ ৰাৱণৰ প্ৰহৰী দুজন প্ৰৱেশ কৰি নৃত্য প্ৰদৰ্শনে ৰাইজক মনোৰঞ্জন কৰে। ইয়াৰ পাছত নাটখনত খাপ খুৱাই চিপাহী দুজন প্ৰৱেশ কৰি দৰ্শকক মনোৰঞ্জন কৰাৰ কাৰণে 'ৰাম-ৰৱণ'ৰ যুদ্ধ হোৱাৰ ঠাইৰ (গাঁৱৰ) পাটগিৰিৰ লগত কথপোকথন হয়। এইখিনিতে কিছু সময় কটোৱা হয়। একাদিক্ৰমে চৰিত্ৰসমূহ প্ৰৱেশ কৰি থাকিব (প্ৰত্যেক আধ্যাৰ গানৰ মতে) ৰাৱণৰ সৈন্য-বাহিনী প্ৰৱেশ শেষত ৰাম-লক্ষ্মণৰ সৈন্য বাহিনীৰ শেষত ৰাৱণৰ সৈন্যৰ লগত ৰামৰ সৈন্যৰ যুদ্ধ  কৰিব। এখন দুখন যুদ্ধৰ পাছত ওজাৰ দুটা 'আধ্যাৰ গান' পৰিৱেশন কৰে। ইয়াৰ পাছতে প্ৰথম ৰাম-ৰাৱণৰ যুদ্ধ আৰম্ভ হয়। পাছত ৰাম-ৰৱাণৰ যুদ্ধ সঁচা নে মছি্ সংগা, দুৰ্গাক লৈ মহাদেৱে যুদ্ধ চাব আহে। তাণ্ডৱ নৃত্য পৰিশেন কৰি প্ৰস্থান হয়। (এই তাণ্ডব নৃত্য কৰা ব্যক্তিগৰাকী অচেতন হয়। হয়তো কোনোবা ব্যক্তিও দেওধা ধৰিব পাৰে)।

এই ৰাৱণ বধ নাটখনৰ মাজে মাজে হাস্য-ব্যংগ দৃশ্য পৰিৱেশন কৰা হয়। নাটখনৰ প্ৰায় ওজাৰ ওপৰত নিৰ্ভৰ কৰা হয়। প্ৰথম আৰম্ভণিৰ পৰাৰাৱণ বধ, কৰি কালী নৃত্য প্ৰদৰ্শনৰ পাছতে নাটখনি সামৰণি গীত সমাপ্ত কৰা হয়।

**বাদ্যযন্ত্ৰঃ**

খোল আৰু তাল ভাৰীগনাৰ প্ৰধান বাদ্য। 'নৃত্য'ত এবিধ চৰ্ম বাদ্য 'ডম্বৰু' ব্যৱহাৰ হয়। ইয়াৰও পৰিও আন এবিধ সুঁষিৰ বাদ্য 'বাঁকা' বা 'কোহু'ৰ আগতে ব্যৱহাৰ হৈছিল। এই বাদ্যৰ দ্বাৰা ভাৰীগান আৰম্ভণিতে শিল্পী আৰু দৰ্শকসকলক সাজু হোৱাৰ সংকেত দিয়া হৈছিল। খোল আৰু তাল এই দুয়োবিধ বাদ্যৰ বিষয়ে তলত চমুকৈ আলোচনা কৰা হ'ল—

**খোলঃ**

ভাৰীগান গীতি প্ৰধান নাট্যানুষ্ঠান হোৱা হেতুকে গীতৰ লগত সংগত প্ৰয়োজনীয় বাদ্য প্ৰধানকৈ খোল আৰু তাল বা বনালী ব্যৱহৃত হয়। চৰ্মচ্ছাদিত বাদ্যৰ ভিতৰত খোলৰ ব্যৱহাৰ ভাৰীগানত মুখ্যভাৱে দেখা যায়। ইয়াৰ বাবে এযোৰ খোলৰ প্ৰয়োজন। খোলযোৰ মাটিৰে তৈয়াৰ কৰা আৰু আকাৰত বৃহৎ আকৃতিৰ হয়। খোলৰ মাজভাগ উফন্দি উঠা। খোলৰ দুয়োফাল চামৰাৰ সৰু সৰু ফিটাৰে টানকৈ বন্ধা থাকে। সম্প্ৰতি কিছুমান ভাৰীগান দলে মাটিৰে নিৰ্মিত খোলৰ পৰিৱৰ্তে কাঠেৰে নিৰ্মিত খোলৰ ব্যৱহাৰ কৰা দেখা যায়। ভাৰীগানত খোল অপৰিহাৰ্য্য বাদ্য হিচাপে পৰাম্পাগতভাৱে ব্যৱহৃত হৈ আহিছে।

**তাল বা ঝালীঃ**

ভাৰীগানত ব্যৱহৃত তাল বা ঝালী ঘন বাদ্যৰ অন্তৰ্ভুক্ত। এই তাল ভাৰীগানত খোলৰ লগত সংগত কৰি ব্যৱহৃত কৰা হয়। ভাৰীগানৰ দলসমূহত অতি কমেও দুযোৰ তাল ব্যৱহাৰ কৰে। ইয়াৰে এযোৰ সৰু আকৃতিৰ আৰু আনযোৰ ডাঙৰ আকৃতিৰ। ই কাঁহ ধুতৰ দ্বাৰা নিৰ্মিত। এই তাল বা ঝালী ভাৰীগানৰ অপৰিহাৰ্য বাদ্য। ভাৰীগানৰ বন্দনা অংশত খোৰ লগত তাল বা ঝালী সংগত কৰি পৰিৱেশ কৰা বন্দনা গীতৰ মাহাত্ম্য আৰু সুৰৰ লালিত্যই শ্ৰোতা দৰ্শকৰ মান আপ্লুত কৰি তোলে। ভাৰীগানত গীতৰ প্ৰাধান্য অধিক। ওজা বা মুখ্য গায়ক গৰাকীয়ে দুগৰাকী খোল বাদক, এগৰাকী তাল বা ঝালী বাদত আৰু ৫/৭ গৰাকী মালি সহ গীত-নৃত্য আৰু বাদ্যৰে নাটকৰ শুভাৰম্ভ কৰে।

**মঞ্চঃ**

ভাৰীগানৰ বিষয়বস্তু ৰূপক, শৈলী, সংযুতি আৰু প্ৰতীক আদিৰ সামাজিক পৰিৱেশ আৰু পৰৱৰতীয় বিশেষত্বৰ সৈতে বিশেষ সম্পৰ্ক আছে। সেয়ে ভাৰীগানৰ পালা পৰিৱেশনৰ সময়ত গীত, পদ, সংলাপ আৰু সামাজিক পৰিৱেশৰ ওপৰত গুৰুত্ব প্ৰদান কৰা হয়। ভাৰীগান ধৰ্মীয় বিশ্বাসৰ পৰা উৎপত্তি হোৱা লোকনাট্যানুষ্ঠান। সেয়েহে নাট্য প্ৰদৰ্শনৰ ক্ষেত্ৰত বিভিন্ন বৈশিষ্ট্য পালনকৰে। নাট মঞ্চস্থ কৰিবলৈ নাট্যদল পৰিচালনা কৰাৰ উপৰি মঞ্চ সজ্জাৰ ক্ষেত্ৰতো কিছুমান নিয়মৰ ভিতৰত নাট প্ৰদৰ্শন কৰা দেখা যায়। গঞ্জ ৰাইজে মুকলি পথাৰত ওখকৈ বেদী সাজি নাট মঞ্চস্থ কৰিবলৈ মঞ্চ সাজি উলিওৱাৰ ক্ষেত্ৰতো কেতবোৰ নিয়ম মানি চলা দেখা যায়। উদাহৰণ স্বৰূপে মহী ৰাৱণ বধ নাটকৰ মঞ্চৰ আকৃতি সম্পৰ্কে উল্লেখ কৰিব পাৰি। মহীৰাৱন বধ নাটকৰ দহটা মূৰযুক্ত ৰাৱণৰ মুখাৰ আকৃতি ডাঙৰ হোৱাৰ উপৰি অতি গধুৰ হোৱা বাবে আৰু অস্ত্ৰ-শস্ত্ৰৰ অধিক ব্যৱহাৰ হোৱাৰ বাবে এনে নাটকৰ ক্ষেত্ৰত নাট্যদলক অধিক সহযোগী সদস্যৰ প্ৰয়োজন হয়। সেয়ে নাটকৰ মূল সদস্য সংখ্যাৰ উপৰি অতিৰিক্ত সদস্যৰ মঞ্চত প্ৰৱেশৰ সুবিধাৰ বাবে ডাঙৰ আকৃতিৰ মঞ্চ সজা দেখা যায়। প্ৰাপ্ত তথ্য অনুসৰি মঞ্চৰ আকাৰ আৰু আয়তন নিম্নলিখিত চিত্ৰত দেখুওৱা ধৰণে নিৰ্মাণ কৰে। ভাৰীগানৰ মুকলি মঞ্চৰ তিনিওফালে দৰ্শক থাকে। কিন্তু বৰ্তমানৰ মঞ্চসমূহত মাত্ৰ দৰ্শক সন্মুখৰ ফালেহে থকা দেখা যায়।

এফাল ছোঁ ঘৰ হিচাপে ব্যৱহৃত হোৱাৰ উপৰি ছোঁঘৰৰ পৰা মঞ্চলৈ অহা-যোৱাৰ বাবে এটা বাট ৰখা হয় অথবা সম্পূৰ্ণ এটা অংশ ছোঁ ঘৰৰ বাবে সংৰক্ষিত কৰে। ছোঁ ঘৰৰ ভিতৰত দক্ষিণ-পূব ফালে এটা চাকি জ্বলাই ৰখা হয়। তদুপৰি মঞ্চত নটা প্ৰদৰ্শনৰ আগে আগে এটা দিশত ওজাৰ চোঁৰ আৰু নুপূৰ ৰাখি থৈ দিয়ে। মঞ্চত কোনো ধৰণৰ আধুনিক আচবাব পত্ৰ, মেজ-চকী আদি ব্যৱহৃত নহয়। ৰজা-মহাৰজাৰ প্ৰয়োজনীয় আসন বাঁহৰ মূৰৰে সাধাৰণভাৱে হাতেৰে সাজি ব্যৱহাৰ কৰা হয়। সাধাৰণতে ভাৰীগনৰ মঞ্চৰ সোঁমাজত এটা মূল খুঁটা থাকে। মঞ্চৰ পৰিৱেশ অনুসৰি

মূল খুঁটা নোহোৱাকৈ মঞ্চ সজা দেখা যায়। ভাৰীগানৰ মঞ্চ দীঘলে কমেও ২৮ আৰু প্ৰস্থ কমেও ২০ ফুট দৈৰ্ঘ্যৰ হোৱা বাঞ্ছনীয়।




**মুখাঃ**

দক্ষিণ কামৰূপ অঞ্চলৰ বন্দাপাৰা ভাৰীগান দল ১৭৭০ চনত স্থাপন কৰা হৈছিল আৰু এই দলটিয়ে দক্ষিণ কামৰূপ অঞ্চলৰ একমাত্ৰ উল্লেখযোগ্য আৰু পুৰণি দল। এই দলটিয়ে প্ৰায় ২৪৩ বছৰ ধৰি ভাৰীগানৰ মুখসমূহ সযতনেৰে সংৰক্ষণ কৰি আহিছে। মুখাসমূহ ঘাইকৈ আম, শিলিখা আৰু চটিয়না গছৰ কাঠ কাটি তৈয়াৰ কৰে। কোঠাকুঠি হীৰাপাৰা ভাৰীগান দলৰ মুখাসমূহৰ আকৃতিৰ মুখা কিছুমানৰ লগত বন্দাপাৰা আকৃতিৰ দলৰ মুখাসমূহৰ পাৰ্থক্য আছে। বন্দাপাৰা ভাৰীগান দলে পূজা-অৰ্চনা কৰি নাট্য প্ৰদৰ্শনৰ বাবে সংৰক্ষণ কৰি ৰখা মুখাসমূহৰ তালিকা দিয়া হ'ল—

ৰাৱণৰ মুখা (দহটা মুণ্ডাৰ মুখা)

কেটুৱাৰ মুখা এটা

হনুমানৰ মুখা এটা

কালীৰ মুখা এটা

**উপসংহাৰ ঃ**

ভাৰীগান এক পৰিৱেশ্য কলা হোৱা হেতুকে ই নৃত্য-গীত, বাদ্য-বাজনা, অভিনয় আদিৰ মাজেৰে দৃশ্য-শ্ৰব্য ৰূপ পৰিগ্ৰহ কৰে। লোকনাট্য ভাৰীগানৰ বিষয়বস্তু সাধাৰণতে ধৰ্মমূলক আৰু আদৰ্শনাত্মক। ঘাইকৈ ৰামায়ণ, মহাভাৰত আৰু পুৰাণ কথৰা আধাৰত ৰচিত ৰাৱণ বধ, মহীৰাৱণ বধ, শক্তিশেল, পাৱালকাণ্ড (মহীবধ), তৰণী সেন বধ, বালী বধ, সীতা পৰীক্ষা, ঘটোৎকচ বধ আৰু দধি মথন আদি নাটক প্ৰদৰ্শনৰ জৰিয়তে অলৌকিক শক্তি সম্পন্ন দেৱ-দেৱীক সন্তুষ্ট কৰি দুই মতি ৰাৱণ, মহীৰাৱণ আদিৰ দৰে অশুভ শক্তিৰ পৰা ব্যক্তি, পৰিয়াল আৰু সমাজক ৰক্ষা কৰাৰ উদ্দেশ্য ধৰ্মীয় ৰীতি-নীতিৰে নাটক প্ৰদৰ্শনৰ পৰম্পৰা প্ৰচলিত হৈ আহিছে।

এই ক্ষুদ্ৰ গৱেষণা গ্ৰন্থখনিৰ জৰিয়তে দক্ষিণ কামৰূপৰ লোনাট্যধৰ্মী অনুষ্ঠান ভাৰীগান দলৰ বিষয়ে চমু আভাস দাঙি ধৰা হৈছে। গ্ৰন্থখনিৰ প্ৰথম অধ্যায়ত অসমৰ পৰিৱেশ্য কলাৰ বিষয়ে আলোচনা কৰা হৈছে। এই অধ্যায়তে পৰিৱেশ্য কলাসমূহৰ নাম, বিশেষকৈ ভাৰীগানৰ ওপৰত অধ্যায়টো বিচাৰ-বিশ্লেষণ তথা উৎপত্তিৰ কথাও কিছু পৰিমাণে দাঙি ধৰা হৈছে আৰু দ্বিতীয় অধ্যায়টোত দক্ষিণ কামৰূপ অঞ্চলৰ ভাৰীগানৰ ওপৰত কিছু কথা উল্লেখ কৰা হৈছে। যেনে — ভাৰীগান দলসমূহ গঠন কৰিবলৈ হ'লে যি যি উপাদানৰ প্ৰয়োজন হয়, সেই উপাদানসমূহৰ বিষয়ে কিছু কথা উল্লেখ কৰা হৈছে।

সংস্কৃতিৰ ধাৰণাটো হৈছে পৰিৱৰ্তনশীল। কাৰণ বৰ্তমানৰ যুৱ প্ৰজন্মই ওজাপালি, ঢুলীয়া, ভাৰীগান আদ আনুষ্ঠানিক অনুষ্ঠানসমূহ চাবলৈ আগবাঢ়ি অহা দেখা

নাযায়। ইয়াৰ মূলতেই হৈছে বিশ্বায়নৰ প্ৰভাৱ। বৰ্তমান সময়ত ভাৰীগানৰ অনুষ্ঠান প্ৰায় দেখিবলৈ পোৱা নাযায়। যুগ পৰিৱৰ্তনৰ লগে লগে এই ভাৰীগানসমূহকো কিছু পৰিৱৰ্তন হোৱা দেখা যায়। আগতে সমাজত কিবা অনুষ্ঠান অনুষ্ঠিত কৰিলে ভাৰীগানৰ নাট প্ৰদৰ্শন কৰিছিল কিন্তু বৰ্তমান যুৱ প্ৰজন্মৰ মাজত যি বিশ্বায়নৰ প্ৰভাৱ পৰিছে তাৰ ফলত পৰম্পৰাগতভাৱে চলি অহা ভাৰীগান আদিৰ নাটসমূহক নৱ প্ৰজন্মই আঁকোৱালি ল'ব নোখোজে। সেইবাবে বৰ্তমান ভাৰীগানৰ দলসমূহ অকল নিমন্ত্ৰণ ৰক্ষাৰ বাবেহে নাট প্ৰদৰ্শন কৰে যাৰ ফলত ভাৰীগানৰ দল হেৰাই যাব ধৰিছে। ■

## মহৎ লোকৰ বাণী

- "জীৱনৰ কোনো কথাতে গৌৰৱ নকৰিবা, যদি তুমি সঁচাই উপযুক্ত তেন্তে তোমাৰ জ্ঞান-বুদ্ধিমত্তাক লৈ সমাজেই গৌৰৱ কৰিব।" — ৰঘুনাথ চৌধুৰী
- "এজন ভাল শিক্ষক হেজাৰজন ভাল পুৰোহিততকৈ ওপৰত।" — ইনগাৰ চল
- "যদি সুখী হ'বলৈ বিচৰা, তেন্তে ক্ষমা কৰিবলৈ শিকা।" — মাদাৰ টেৰেছা

# শাখাতি গাঁৱৰ শ্ৰীশ্ৰী দুৰ্গা মাঁ গোঁসানী থানত অনুষ্ঠিত দুৰ্গোৎসৱ

• হৰিপ্ৰিয়া দাস •
প্ৰাক্তন ছাত্ৰী, অসমীয়া বিভাগ

**শাখাতি গাঁৱৰ ভৌগলিক বিৱৰণঃ**

অসমৰ দক্ষিণ পশ্চিমে কামৰূপ জিলাৰ প্ৰান্তৱৰ্তী লুকী মৌজা। ইয়াৰ পশ্চিমে গোৱালপাৰা জিলা। আদিতে হেনো লুকীখন এখন সৰু ৰাজ্য আছিল। এই বিশাল মৌজাখনৰ খাজনা আদি একেজন মৌজাদাৰে আদায় কৰিবলৈ অসমৰ্থ হোৱা হেতুকে ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰাৰ কেইবছৰমানৰ আগতে ইয়াক দুভাগ কৰে আৰু দক্ষিণ ভাগক 'লুকী' আৰু উত্তৰ ভাগক বেকেলী নামেৰে অভিহিত কৰে। এই মৌজাদ্বয়ত প্ৰায় পঞ্চাশখনতকৈয়ো অধিক গাঁও আছে। অঞ্চলটো জনজাতি লোকৰ বসতি অধিক। বিভিন্ন জাতি-জনাজাতিৰ ভিতৰত বড়ো, ৰাভা, গাৰো, কোঁচ, শৰণীয়া, কলিতা, ব্ৰাহ্মণ, মুছলমান, কৈৱৰ্ত, হীৰা, জলধা, নেপালী আদিৰ লোক। সৰহসংখ্যক ৰাভা আৰু বড়ো কছালী লোক। শাক্ত বৈষ্ণৱ, ইছলাম ধৰ্মৰ লোক আছে যদিও অধিকাংশ শাক্ত ধৰ্মাৱলম্বী। কামৰূপেই শাক্ত ধৰ্মৰ ঘাই কেন্দ্ৰ বুলি অতীতৰ পৰা সাধাৰণ বিশ্বাস আছে।

অসমৰ কামৰূপ জিলাৰ ১৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ সীমপতে শাখাতি গাঁওখন অৱস্থিত। শাখাতি গাঁওখন লুকী মৌজাৰ অন্তৰ্গত। এই শাখাতি গাঁৱতে ঐতিহাসিক শ্ৰীশ্ৰী দুৰ্গা মাঁ, গোঁসানী থান অৱস্থিত। লুকী আৰু বেকেলী মৌজাৰ সীমাত অৱস্থিত। আনহাতে এই শাখাতি গাঁওখনক দুটা ভাগত ভাগ কৰা হৈছে। ১নং শাখাতি আৰু ২নং শাখাতি। ইয়াৰে ১নং শাখাতিৰ অন্তৰ্ভুক্ত গাঁও হ'ল - ১নং জাকুৱাপাৰা আৰু ২নং শাখাতিৰ অন্তৰ্ভুক্ত ৰাজবংশীপাৰা, গোপালপুৰ, কঠোবৰি, ২নং মাছপাৰা, ৰাংচাপাৰা। শাখাতি গাঁৱৰ চাৰিসীমা হৈছে - পূবে গুৱাহাটী, পশ্চিমে - গোৱালপাৰা, উত্তৰে দীঘলী আৰু দক্ষিণে জাৰিহাট অৱস্থিত। শাখাতি গাঁৱত বসবাস কৰা ভিন জাতি জনগোষ্ঠীসমূহ হ'ল- ৰাজবংশী, পাতি ৰাভা, বড়ো, বণিক্য, কলিতা আদি। অতীতৰে পৰা এই লোকসকলে

একেলগে বসবাস কৰি আহিছে।

**জাতি জনজাতি আৰু ধৰ্ম ঃ**

সাধাৰণতে শাখাতি গাঁওখনত ভিন্ন জাতি-জনজাতিয়ে একেলগে বসবাস কৰি আহিছে। প্ৰত্যেক জাতি জনজাতিৰে কিছুমান সুকীয়া ৰীতি-নীতি, উৎসৱ-পাৰ্বণ আদি আছে। তেওঁলোকে সুকীয়াভাৱে নিজস্ব উৎসৱসমূহ পালন কৰা দেখা যায়। শাখাতিৰ শ্ৰীশ্ৰী দুৰ্গা মাঁ, গোঁসানী থানত সকলোৱে জাতি ভেদ ত্যাগ কৰি একেলগে এই থানত পূজা-অৰ্চনা কৰে। সকলোৱে নিজস্ব ইচ্ছা অনুযায়ী অষ্টমী আৰু নৱমী দিনাখন নৈবেদ্য আগবঢ়ায়। সকলোৱে নিজৰ মনোকামনা ব্যক্তি কৰে আৰু আশীৰ্বাদ লয়।

**শাখাতি গাঁৱৰ নামকৰণৰ ইতিহাসঃ**

শ্ৰীশ্ৰী দুৰ্গা মা গোঁসনী থানৰ লগত শাখাতি গাঁওখনৰ নামৰ এক মহিমা আছে। পুৰাণৰ জনপ্ৰিয় কাহিনী সতীৰ দেহত্যাগৰ লগত ইয়াৰ সম্পৰ্ক থকা বুলি জনবিশ্বাস। যেতিয়া দেৱদিদেৱে মহাদেৱ শহুৰেকৰ ঘৰৰ পৰা সতীৰ মৃতদেহ লৈ পাগলৰ দৰে বিশ্বব্ৰহ্মাণ্ডত ঘূৰি ফউৰে তেতিয়া বিষ্ণুই সুদৰ্শন চক্ৰেৰে সতীৰ মৃতদেহ খণ্ড খণ্ড কৰি কাটি পেলাই দিছিল। সেই সময়ত সতীৰ হাতৰ 'শাখা' হেনো এইখিনি ঠাইত পৰিছিল। আৰু তাৰ চিন স্বৰূপে এই গোঁসানী থানৰ সৃষ্টি হৈছিল। কিয়নো প্ৰবাদ যে য'তেই সতীৰ অংগ পৰিছিল তাতেই পীঠস্থানৰ গঢ় লৈছিল। হাতৰ শাখা পৰিছিল বাবে অঞ্চলটো শাখাতি হ'ল। এইটো মানুহৰ মুখে মুখে কোৱা কথাহে। ভাষা তত্ত্বৰ ফালৰ পৰা চাব গ'লেও এইদৰে ক'ব পাৰি যে শাক্ত+হাটী। শাক্ত মানে হ'ল দুৰ্গা, কালী আদি শক্তি অধিষ্ঠাত্ৰী দেৱী উপাসক বুজায় আৰু 'হাটী' মান গাঁও চুবুৰী বা বাসস্থান। আনহাতে এই অঞ্চলত বহু দুৰ্গা, কালী পূজাৰ থান আছে। এইদৰেই গাঁওখনৰ নাম শাখাতি হ'ল। শাক্ত + হাটী > শাক্ত + আটী > শাক+ আটী =শাংকাটী বা শাখাতি। আনহাতে এই গাঁওখন বৃহৎ লুকী মৌজাৰ অংশ বা শাখা এটা। শাখা হাটী শাখা আটী শাখাটী বা শাখাতি।

**শাখাতি গাঁৱৰ শ্ৰীশ্ৰীদুৰ্গা মাঁ, গোঁসানী থানত অনুষ্ঠিত দুৰ্গোৎসৱঃ**

অসম ৰাজ্যৰ কামৰূপ জিলাৰ বকো থানাৰ অন্তৰ্গত ১৭নং ৰাষ্ট্ৰীয় ঘাইপথৰ সমীপতে শাখাতি গাঁৱখন অৱস্থিত আৰু ইয়াতে শাখাতি গাঁৱৰ ঐতিহাসিক শ্ৰীশ্ৰী দুৰ্গা মা, গোঁসানী থান অৱস্থিত। সাধাৰণতে সমগ্ৰ ভাৰতবৰ্ষতে এই দুৰ্গোৎসৱ পালন কৰে। আনহাতে শাখাতি গাঁৱৰ লোকসকলে জাতি ভেদ প্ৰথা ত্যাগ কৰি প্ৰত্যেক বছৰে মিলিজুলি এই থানত দুৰ্গোৎসৱ অনুষ্ঠিত কৰে। এই থানত চাৰি দিন তিনি ৰাতি পূজা অৰ্চনা কৰে। এই গোঁসানীৰ পূজাক পন, অউলা, ভৰ আৰু ভাচানী পূজা বুলি চাৰি দিনে মহা পয়োভৰে পূজা কৰে। ইয়াত শক্তি পূজাৰ দেৱী দুৰ্গা, কালী আৰু শিৱক পূজা কৰা হয়। এই থানত মূৰ্তি পূজা কৰা নহয়। অদৃশ্য ৰূপত পূজা কৰা হয়। এই থানত অষ্টমী আৰু নৱমী দিনটোত নৈবেদ্য আগবঢ়ায়। সকলোৱে নিজৰ মনোকামনা অুসৰি আশীৰ্বাদ লয়। এই থানত বলি বিধান প্ৰথাৰ প্ৰচলন আছে। নিজৰ মনোকামনা পূৰণৰ বাবে কিছুমান লোকে নিজাববীয়াকৈ বলি প্ৰদান কৰে। এই প্ৰথা অনুসৰি ব্যক্তিজনে অনা জীৱ-জন্তু বলি দিব পাৰে আৰু বলিৰ বাবে অনা জীৱ জন্তু দুৰ্গা দেৱীৰ নামত মুকুলিমূৰীয়াকৈ এৰিও দিব পাৰে। নৱমী দিনাখনক 'ভৰ পূজা' বুলি কোৱা হয়। সেইদিনা ম'হ বলি দিয়া হয়। ইয়াক বৰ বলি বুলি কোৱা হয়। সেইদিনা সকলো মানুহে আহি পূজাত সেৱা সৎকাৰ কৰি আশীৰ্বাদ লৈ পূজাৰ আনন্দ উপভোগ কৰে। এইদৰে প্ৰত্যেক বছৰে এই থানত শাখাতি গাঁৱৰ মানুহে দুৰ্গোৎসৱ অনুষ্ঠিত কৰে।

**শ্ৰীশ্ৰীদুৰ্গা মাঁ, গোঁসানী থানৰ ৰীতি-নীতি আৰু**

**পূজাৰ পদ্ধতি ঃ**

সাধাৰণতে সমগ্ৰ ভাৰতবৰ্ষতে দুৰ্গোৎসৱ উদ্‌যাপন কৰে। লুকী মৌজাৰ শাখাতি এখন ৰাজহ গাঁও। শাখাতি গাঁৱৰ কেঁচাই খাইতী গোঁসানী থান অতি পুৰণি। লুকী আৰু বেকেলী মৌজাৰ সীমাত ই অৱস্থিত। গোঁসানী পূজাসমূহ ৰাইজৰ ভঁৰালৰ বা ৰাজিৰ লোকে চান্দা তুলি বছৰেকত এবাৰ পূজা কৰে। দুৰ্গা পূজাৰ সপ্তমী তিথিৰ দিনা শাখাতি কেঁচাই খাইতি গোঁসানীৰ পূজা আৰম্ভ হয়। পূজাস্থলীৰ অলপ দূৰত পশ্চিমে পেটাভোকোলা এখনি সৰু নৈ বৈ গৈছে। কেঁচাই খাইতি গোঁসানী থান বৃহৎ অঞ্চলৰ ৰাইজে চান্দা তুলি পূজা কৰে। ইয়াৰ পূজাৰীজনক দেউৰী বলি কয়। মুখ্য দেউৰী থকাৰ উপৰিও তিনি-চাৰিজন সহকাৰী দেউৰী থাকে।

সপ্তমী তিথিৰ দিনা ৰাতি থান ঘৰৰ ওচৰতে থকা বেল গছ জোপাৰ পৰা দেউৰীয়ে গছত উঠি বৰ আলফুলকৈ বেল এজোৰা চিঙি আনে। ইয়াৰ আগতে বেলগছডালৰ তলত পূজা কৰা হয়। আৰু ইয়াৰ আগদিনা বেলজোৰ দীপ্ত প্ৰসৱ হৈ থাকে আৰু দেউৰীয়েহে হেনো ইয়াক দেখে। ওজাপালিৰ পাতি ঢোল বজাই বেলজোৰ পূজাৰ মণ্ডপলৈ বৰি আনে। ইয়াক 'বেলবৰণ' বুলি কয়। ইয়াৰ পিছৰ পৰাই গোঁসানী থানত 'মাৰ্লা' পাতি পূজা আৰম্ভ কৰে।

গোঁসানী ঘৰৰ বেদীত পূজাৰ উপৰিও ওচৰত থকা সৰু মন্দিৰৰ ঘৰৰ ভিতৰত দেউৰীয়ে পূজা কৰে। গোঁসানীৰ পূজাক গপ, আউলা, ভৰ আৰু ভাচানী পূজা বুলি চাৰি দিনে মহা পয়োভৰে পূজা কৰে। পূজাত হাঁহ, ছাগলী, পাৰ, ম'হ ৰবাব টেঙা, কোমোৰা আদি বলি দিয়ে। প্ৰবাদ আছে যে আগতে হেনো ইয়াত নৰ বলি দিয়াৰ প্ৰথা আছিল। ভৰ পূজা দিনা শাখাতি গোঁসানীপূজা আৰু ম'হ বলি দিয়া চাবলৈ মানুহ দলদোপ হেন্দোলদোপ লাগি পৰে। ভাচনী দিনা পূজাৰ নৈবেদ্য আৰু বেলজোৰা ওপৰত থকা পেটাভোকলা নদীৰ কালী মন্দিৰৰ ওপৰত থকা ডুবিত বিসৰ্জন দিয়ে। বিসৰ্জনৰ সময়ত মনকৰিবলগীয়া কথা এই যে নৈবেদ্য লৈ যোৱা মানুহজনৰ আগে আগে কিছু ঠাইৰ আঁতৰে আঁতৰে কোমোৰা কাটি যায়।

শাখাতি গোঁসানী থানত পূজাৰান্ত হোৱাৰ পৰা ওজাপালি আৰু দেওধানী নাচে। ৰাইজে পূজাত কেৱল এজনহে দেওধনী নিমন্ত্ৰণ কৰি আনে। কিন্তু পূজাৰ দিনাৰ পৰা শেষলৈকে বহুকেইজনী দেওধানী নচা দেখা যায়। পূজাৰান্তৰ দিনা দেওধনীয়ে আতাহ পাৰি দেও মাতে আৰু ভৱিষ্যত মংগলৰ কথা কয়।

ওজাপালিৰ গীতসমূহ প্ৰাৰ্থনাসূচক। নানা কাহিনী লৈ মাৰে গীত বা ওজা পালি ৰচিত। বিশ্ব ব্ৰহ্মাণ্ড সৃষ্টি, মহাদেৱৰ নানান কাহিনী, সৰস্বতীৰ জন্ম কাহিনী, গাৰো গাৰোৱানীৰ নৃত্যৰ সময়ত গোৱা গীত ইত্যাদিৰে গীতৰ কাহিনী মনোৰঞ্জক। এইবোৰ কাহিনীৰ উপৰিও শাখাতি গোঁসানী থানত বেউলাৰ কাহিনী লৈ গীত গোৱা ৰোমাঞ্চকপূৰ্ণ। সাধাৰণতে বেউলাৰ জন্ম, লখিন্দৰ জন্ম, চান্দ সদাগৰৰ লগত পদ্মাৰ বিৰোধ, কাংকাৰা সাগৰৰ মাজত বাণিজ্যৰ নৌকা নষ্ট, ছয় পুত্ৰ সৰ্প দংশন, চান্দৰ বোৱাৰী বিচাৰি যোৱা, লখিন্দৰ আৰু বেউলাৰ বিয়া আদি ওজাপালি গীত গোৱা হয়। দেওধনীও স্ত্ৰী চৰিত্ৰ সমূহ অংকণ কৰিবলৈ যত্ন কৰে। মাৰে গীতৰ কথা, কল্পনা আৰু উপমাবোৰ অতি চমৎকাৰ যাৰ স্বাদ অপূৰ্ব। গীতবোৰৰ স্বাদে আৰু মধুময় সৌৰভ আজিও গ্ৰামাঞ্চলৰ লোকৰ মন আকৰ্ষিত হৈ আছে।

ওজাপালিৰ গীত ঃ লখিন্দৰ জনম-

অহু ৰাম ৰাম ৰাম নাহাৰে,  
অ' দেবাৰ বৰে, বাপেৰ বীজে  
হয় বালা লক্ষিন্দৰ  
বোলা হৰি মুই ৰাম হৰি ৰাম ৰাম ৰাম  
একমাসে লয় বৰ পুৰাণে দুইয়ো মাস

দুয়ো মাসে বিলম্বিল পুৰাণ তিনি মাস
চাৰি মাসে লয় বৰ পুৰাণে পাঁচ মাস।
জ্বালা জুলা খাবাও মাও হাবিলায়।
সাত মাসে লয় বৰ পুৰাণে আঠ মাস
আঠ মাসে লয় বৰ পুৰাণে নশ মাস।
দশ মাসে দস দিনে উদৰ লৰিলা
মাওৰ গৰ্ভ চাৰি লখাই ভূমিত পৰিলা
চাৰি আঙুল জোখা কৰি বতিয়াক মাৰিলা গাঁঠি
সুবাৰ্ণৰ চুন চুনি আনি নাৰীক ফেলাল কাটি।
কেৰে আনিল আলৱা চাউল কেৰে আঁৱা দুধ
পাঁচদিনীয়া পাঁচতী ফেলাই ঘৰ কৰে শুধ।
মাহ দিনীয়া লেখা কৰি মাহেকা ফেলায়
সোণৰ কাটা বিজী আনি কৰণচা বিন্ধায়
কথাত বাঢ়ে কথা খৰিকাত বাঢ়ে কাণ
মাওৰ কোলাত বাঢ়ি আহে পুৰ্ণিমাহৰ চান।
আজিয়ন কালিয়ান লাখাই ডাঙৰ হৈয়া যায়
ইঘৰ সিঘৰ কৰি লখাই ফুৰেৰে বেৰায়।

লখিন্দৰৰ মৃত্যু (লখিন্দৰ দঁক)

ৰাম হে, আজি মৰিম ভাইয়া
অ' ৰেণু ৰেণু কৰে বিহ নাজানিলুং খইলা কি
এই বিহে বিহে মোৰ দমহে পাৰণ হে
আজি মৰিম ভাইয়া।
আৰু ৰাম, আঠু মান পাইলা বিহ নাজানিলুং
খাইলা কি
এই বিহে মোৰ দমহে পাৰণ হে
আজি মৰিম ভাইয়া।
ফেৰামান পাইলা বিহ নাজানিলুং খাইলা কি
এই বিহে মোৰ দমহে পাৰণ হে
আজি মৰিম ভাইয়া।
অ' কোমোৰমান পাইলা বিহ নাজানিলুং খাইলা কি
এই বিহে মোৰ দমহে পাৰণ হে
আজি মৰিম ভাইয়া।
পেটমান পাইলা বিহ নাজানিলুং খাইলা কি
এই বিহে মোৰ দমহে পাৰণ হে
আজি মৰিম ভাইয়া।
বুকুমান পাইলা বিহ, বিহ যায় উজান ধাৰে
কইনা, বিহে বিহে মোৰ দমহে পাৰণ হে
আজি মৰিম ভাইয়া।
গলমান পাইলা বিহ নাজানিলুং খাইলা কি
এই বিহে মোৰ দমহে পাৰণ হে
আজি মৰিম ভাইয়া।
মুৰটাও পাইলা বিহ লখাই নাপায় চেতন
এই ঢলি পৰিল পালাংখিৰ উপৰ হে
আজি মৰিম ভাইয়া।

**লখিন্দৰক জীয়াই দিবলৈ বেউলাৰ দেবাগপক মিনতিঃ**

বেউলায় বোলে জীয়াই দি মোক
স্বামী লখিন্দৰ
প্ৰণাম কৰে বেউলায় ব্ৰহ্মাৰ চৰণ
তিয়ানতো কেছিলি বাপ, খনিক নট কৰ
নট কৰি জীয়াবা পাৰিবি বালা লখিন্দৰ
আমি নেদং বৰ আই তোক
ধৰমে যে দিব বৰ
ৰউ বাপে পাৰিবি জীয়াবা
তোৰ মাথাৰ চতৰ।
আৰু প্ৰণাম কৰে বেউলা
বিষ্ণুৰ চৰণ
তোকে বোলোং বিষ্ণু বাপ
মোৰে বচন ধৰ

তিথানতো কৈছিল বাপ
খনিক নট কৰ
নট কৰি জীয়াবা পাৰিবি
বালা লখিন্দিৰ
তোকে বোলোং বেউলা আই।
মোৰ বচন ধৰ
আমি নেদং বৰ আই
ধৰমে দবি বৰ
ৰঙে ৰূপে জীয়াবা পাৰিবি
বালা লখিন্দৰ
আৰু প্ৰণাম কৰে বেউলা
গোঁহায়ৰ চৰণ
তোকে বোলা গোঁহায় বাপ
মোৰ বচন ধৰ
তিথানতো কৈছিলি প্ৰভু
খনিক নট কৰা
নট কৰি জীয়াবা পাৰিবি
তোমাৰ মাথাৰে চতৰ
তোকে বোলাং বেউলা আই
মোৰ বচন ধৰ
যেমন তেমন জীয়াই দিম তোক
বেউলা লখিন্দৰ

সামৰণিঃ

ওপৰৰ অধ্যায়বোৰ শ্ৰীশ্ৰী দুৰ্গা মাঁ, গোঁসানী থানৰ বিষয়ে এটি ক্ষুদ্ৰ গৱেষণামূলক আলোচনা আগবঢ়োৱা হৈছে। মোৰ এই ক্ষুদ্ৰ গৱেষণামূলক পত্ৰখন চাৰিটা অধ্যায়ত বিভক্ত। অতি প্ৰাচীন কালৰ পৰাই মানুহে মঠ-মন্দিৰৰ সৈতে ওতপ্ৰোভাৱে জড়িত। লোক জীৱনত মঠ মন্দিৰৰ ভূমিকা গুৰুত্বপূৰ্ণ। এই কেঁচাই খাঁইতি গোঁসানী থানত শাখাতি গাঁৱৰ লোকসকলে মিলি কেনেদৰে দুৰ্গোৎসৱ অনুষ্ঠিত কৰে। সেই বিষয়ে এটি ক্ষুদ্ৰ গৱেষণামূলক আভাস দিবলৈ প্ৰয়াস কৰিছো। শেষত এই গৱেষণা পত্ৰিকাখনৰ লগত জড়িত সকলোকে কৃতজ্ঞাত জনাইছোঁ। ■

---

- " মই এনেকুৱা এখন আলোচনী উলিয়াব খুজিছোঁ, যিখনৰ সম্পাদক আগতে মৰিব, আলোচনীখন নমৰে।"

-ভবেন্দ্ৰ নাথ শইকীয়া

# অধ্যাৱসায়ৰ শক্তি

• জিমণি বৈশ্য •
উঃমাঃ দ্বিতীয় বাৰ্ষিক

এজনী ছাত্ৰীৰ প্ৰেৰণা কাহিনী উচ্চ আকাশচুম্বী ঘৰ আৰু ব্যস্ত ৰাস্তাৰ মাজত সোমাই থকা এখন ব্যস্ত চহৰৰ মজিয়াত আছিল জ্ঞান বৰুৱা একাডেমী নামৰ এখন সৰু স্কুল। সামান্য ৰূপৰ সত্বেও জ্ঞান বৰুৱা একাডেমীয়ে নিজৰ দেৱালৰ ভিতৰতে নিজৰ ছাত্ৰ-ছাত্ৰীৰ জীৱনক ৰূপান্তৰিত কৰাৰ সম্ভাৱনা ৰাখিছিল। তাৰ ভিতৰত আছিল দীপ্তি নামৰ এজনী সৰু ছোৱালী, যাৰ যাত্ৰাই বহুতক অনুপ্ৰাণিত কৰিব। তাই ধনী ঘৰৰ ছোৱালী নাছিল। জীৱন নিৰ্বাহৰ বাবে সংগ্ৰাম কৰা পৰিয়ালত জন্মগ্ৰহণ কৰা তাই সৰুৰে পৰাই অসংখ্য প্ৰত্যাহ্বানৰ সন্মুখীন হৈছিল। মাক-দেউতাকে কেৱল দৈনিক খাদ্য ধৰবলৈ বহু সময় কাম কৰিছিল, দীপ্তিক পঢ়া শুনাত সহায় কৰিবলৈ তেওঁলোকৰ বাবে সময় কম আছিল। ফলত স্কুলত প্ৰায়ে হেৰাই যোৱা অনুভৱ কৰিছিল দীপ্তিয়ে। এনেকুৱা পৰিস্থিতিৰ মাজতো দীপ্তিৰ সফল হোৱাৰ জ্বলন্ত ইচ্ছা আছিল। তাই এটা উন্নত ভৱিষ্যতৰ সপোন দেখিছিল, য'ত তাই পৰিয়ালৰ যোগান ধৰিব পাৰিব আৰু দৰিদ্ৰতাৰ চক্ৰৰ পৰা মুক্ত হ'ব পাৰিব। কিন্তু তাই সংগ্ৰাম কৰা ধাৰণাবোৰ যেন অনায়াসে ধৰি লোৱা সহপাঠীসকলৰ ফালে ঘূৰি চাই থাকোঁতে তাইৰ মনত সন্দেহ সোমাই আহিল।

এদিন দীপ্তিয়ে শ্ৰেণীকোঠাত বহি হতাশা অনুভৱ কৰি থাকোঁতে তাইৰ শিক্ষয়িত্ৰী মিছে চৌধুৰীয়ে তাইৰ মনৰ হতাশা বুজি পায় তাইক ক্লাছৰ পাছত তাইৰ ওচৰলৈ গৈ কথা পাতিলে। লগতে তেওঁ দীপ্তিৰ লগত অতিৰিক্ত সময় কটালে, ধৈৰ্য সহকাৰে তেওঁ বহুতো কথা বুজাই দিলে। মিছে চৌধুৰীয়ে দিয়া উৎসাহত দীপ্তিয়ে নিজকে আৰু নিজৰ সামৰ্থ্যক বিশ্বাস কৰিবলৈ ধৰিলে। স্কুলৰ পুথিভঁৰালত পাঠ্যপুথি পঢ়ি আৰু বিভিন্ন ধৰণৰ জ্ঞানমূলক কিতাপ পঢ়ি তাই তাইৰ অগণন ঘণ্টা পঢ়া-শুনাৰ বাবে উছৰ্গা কৰি দিলে। সপ্তাহবোৰ পাৰ হোৱাৰ লগে লগে দীপ্তিৰ পঢ়া-শুনা উন্নত হ'বলৈ ধৰিলে। ইমানবোৰ প্ৰত্যাহ্বানৰ সন্মুখীন হোৱাৰ পাছতো দীপ্তিয়ে হাৰ মানিবলৈ অস্বীকাৰ

কৰিলে। আকৌ হঠাতে দীপ্তিৰ দেউতাক অসুস্থ হৈ কাম কৰিব নোৱাৰা হ'ল। মাকেও দেউতাকৰ লগত প্ৰতিটো সময়ত থাকিব লাগে বাবে কাম কৰিব নোৱাৰা হ'ল, যাৰ ফলত পৰিয়ালটোৰ আৰ্থিক দিশত আৰু অধিক হেঁচা পৰিল। চিকিৎসাৰ বিল বাঢ়ি অহাৰ লগে লগে আৰু তেওঁলোকৰ মূৰৰ ওপৰত উচ্ছেদৰ ভাবুকি আহি পৰাৰ লগে লগে একমাত্ৰ ছোৱালী দীপ্তিয়ে কান্ধত ওজন অনুভৱ কৰিলে। কিন্তু হতাশাৰ ওচৰত বলি হোৱাৰ পৰিৱৰ্তে তাই নিজৰ প্ৰতিকূলতাক নিজৰ দৃঢ়তাৰ বাবে ইন্ধনলৈ ৰূপান্তৰিত কৰিলে। স্কুলৰ পাছত তাই পৰিয়ালক পোহপাল দিয়াত সহায় কৰিবলৈ বহুতো কাম কৰিছিল যেনে— বেলেগৰ ঘৰত কাপোৰ, বাচন ধোৱা আৰু লগতে তাই সন্ধিয়া সময়ত দোকানতো কাম কৰিবলৈ লৈছিল। এই সকলোবোৰৰ পছাতো তাই নিজৰ পঢ়াটো পঢ়ি গৈছিল। ক্লান্তি আৰু অনিশ্চয়তাৰ মাজতো তাই নিজৰ সপোনবোৰ এৰি দিবলৈ অস্বীকাৰ কৰিছিল।

বিদ্যালয় বৰ্ষ শেষৰ সময় ওচৰ চাপি অহাৰ লগে লগে দীপ্তিয়ে তাইৰ আটাইতকৈ ডাঙৰ প্ৰত্যাহ্বানৰ সন্মুখীন হ'ল — চূড়ান্ত পৰীক্ষা। নিজৰ যোগ্যতা প্ৰমাণ কৰিবলৈ তাই সংকল্পবদ্ধ হৈ নিজক পৰীক্ষাৰ প্ৰস্তুতিৰ কামত ঢালি দিলে, ৰাতিলৈকে তাই পঢ়ি থকা হ'ল। পৰীক্ষাৰ দিনটো আহি পোৱাত তাই আগতে কেতিয়াও অনুভৱ নকৰা আত্মবিশ্বাসৰ ভাব এটা লৈ শ্ৰেণীকোঠাৰ ভিতৰলৈ সোমাই গ'ল। পৰীক্ষা দি আহি তাই ফলাফললৈ অপেক্ষা কৰি থাকিল। ফলাফলৰ দিনা তাইৰ জীৱনটো সলনি হৈ গ'ল। কাৰণ তাই কেৱল পৰীক্ষাত উত্তীৰ্ণ হোৱাই নহয় ক্লাছৰ ভিতৰত শীৰ্ষৰ নম্বৰ লাভ কৰিছিল তাই। তাইৰ চুকৰ পৰা আনন্দৰ চকুলো বৈ আহিল যেতিয়া তাই উপলব্ধি কৰিলে যে— তাইৰ সকলো কঠোৰ পৰিশ্ৰম ত্যাগ অৱশেষত ফল দিলে। নতুনকৈ পোৱা আত্মবিশ্বাস আৰু শৈক্ষিক সফলতাৰে দীপ্তিক ভাল কলেজত পঢ়িবলৈ বৃত্তিৰ প্ৰস্তাৱ দিয়া হ'ল, য'ত তাই অভিযন্তা হোৱাৰ সপোন পূৰণ কৰিব । হাইস্কুল শীক্ষান্ত পৰীক্ষাত কেপ আৰু গাইড পিন্ধি মঞ্চত থিয় হৈ থাকোঁতে তাইৰ দৰ্শকৰ মাজত গৌৰৱান্বিত মুখৰ সাগৰখনলৈ চাই থাকিল। সেই মুহূৰ্ততে দীপ্তিয়ে গম পালে যে কোনো বাধাই বেছি ডাঙৰ নহয়, কোনো সপোনে বেছি দূৰবৈ নহয়। অদম্য দৃঢ়তাৰে তাই প্ৰতিকূলতাক জয় কৰি আগতকৈ পৰৱৰ্তী অধ্যায়ত ভৰি দিয়াৰ লগে লগে তাই এই মূল্যৱান শিক্ষাটো কঢ়িয়াই লৈ ফুৰিছিল যে অধ্যৱসায় আৰু নিজৰ ওপৰত বিশ্বাস থাকিলে সকলো সম্ভৱ। ■

# ৰংজুলিৰ বাঁহ সংস্কৃতিঃ এক চমু আলোকপাত

• ভূমিজা তালুকদাৰ •
প্ৰাক্তন ছাত্ৰী

ৰংজুলি অঞ্চলৰ ভৌগলিক অৱস্থান ঃ অসমৰ একমাত্ৰ বৃহৎ নদী ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰে অৱস্থিত ৰংজুলি অঞ্চলতো দুধনৈ সমষ্টিৰ অন্তৰ্গত। ১৭ নং ৰাষ্ট্ৰীয় ঘাইপথটো এই অঞ্চলৰ মাজেৰে পাৰ হৈছে। এই অঞ্চলৰ জনসংখ্যা প্ৰায় ১,০৯,০৯৪ হ'ব। এই অঞ্চলটো ২৫৬ কিঃমিঃ জুৰি আগুৰি আছে। এই অঞ্চলৰ জনবসতি মজলীয়া। বিভিন্ন জাতি-জনজাতিৰ লোক ইয়াত বসবাস কৰে। অঞ্চলটোক কেন্দ্ৰ কৰিয়েই মূল ঘাইপথৰ দক্ষিণ দিশত ইয়াৰে সাপ্তাহিক আৰু দৈনিক বজাৰ গঢ়ি উঠিছে। যাৰ ফলত স্থানীয় ৰাইজৰ প্ৰয়োজন পূৰণ কৰাৰ উপৰিও যাতায়াত তথা যোগাযোগৰ কেন্দ্ৰবিন্দু হিচাপে চিহ্নিত হৈছে। এই অঞ্চলটোত বিভিন্ন উৎসৱ-পাৰ্বণো অনুষ্ঠিত হৈ থাকে। দুৰ্গা পূজাৰ সময়ত ইয়াত দশমীৰ দিনাখন ৰাৱন বধ কাৰ্য অনুষ্ঠিত কৰে য'ত বিভিন্ন জাতি-জনজাতিৰ লোকৰ সমাৱেশ ঘটে। আকৌ প্ৰায় আধা কিঃমিঃ মান দূৰৈত ৰঙৰ উৎসৱ হোলীৰ সময়ত অসমৰ ভিতৰিতে দ্বিতীয় স্থানপ্ৰাপ্ত দৌল মহোৎসৱ অনুষ্ঠিত কৰে। ইয়াতো অগণন লোকৰ সমাৱেশ ঘটে।

এই ৰংজুলি অঞ্চলৰ পৰা প্ৰায় ৬ কিঃমিঃ দূৰত অৱস্থিত দৰংগিৰি কলৰ বজাৰ এছিয়াৰ ভিতৰতে বৃহৎ কলৰ বজাৰ আৰু প্ৰায় ৯ কিঃমিঃ উত্তৰে এখন ডাঙৰ চাহৰ বাগানো আছে। এই চাহপাত বিভিন্ন ঠাইলৈ ৰপ্তানি হয়। এই ৰংজুলি অঞ্চলৰ বজাৰৰ কাষতে উপস্বাস্থ্য কেন্দ্ৰ এটিও আছে। এই স্বাস্থ্যকেন্দ্ৰটো হোৱা বাবে ইয়াৰ জনসাধাৰণৰ স্বাস্থ্যৰ ক্ষেত্ৰত বিশেষভাৱে উপকৃত হোৱা পৰিলক্ষিত হৈছে।

এই অঞ্চলটোৰ ওচৰে-পাঁজৰে পাহাৰ-পৰ্বতেৰে ভৰপূৰ। ইয়াত ওচৰে-পাঁজৰে প্ৰচুৰ পৰিমাণে ধানখেতি হোৱা দেখা যায়। ধানখেতিৰ উপৰিও তামোল, পাণ, আদা, হালধি, কল আদি খেতিৰ বাবেও এই অঞ্চলৰ মাটিত অতি উপযোগী। আমাৰ ৰংজুলি অঞ্চলটোৰ

মাটিৰ বিশেষ বৈশিষ্ট্য আছে। সেয়েহে ঠায়ে ঠায়ে ইয়াত প্ৰচুৰ পৰিমাণে ইটাৰ ভাটিসমূহ গঢ় লৈ উঠাত সহায় হৈছে। ইয়াৰে ইটাসমূহ দূৰ-দূৰণিলৈ ৰপ্তানি হয়। অতি দৰিদ্ৰ আৰু মধ্যবিত্ত লোকসকলে এই ইটাৰ ভাটি সমূহত কাম কৰি নিজৰ পৰিয়ালটোক পোহপাল দিয়াৰ লগতে ল'ৰা-ছোৱালীক স্কুল-কলেজ পঢ়োৱাৰ ক্ষেত্ৰতো আৰ্থিকভাৱে উপকৃত হৈছে।

এই অঞ্চলটোতে এটি কালী মন্দিৰো অৱস্থিত। য'ত প্ৰতি বছৰে এদিনীয়া কাৰ্যসূচীৰে পূজা পতা হয় আৰু এই পূজাত বহু দূৰ-দূৰণিৰ পৰা ভক্তসকলৰ সমাগম ঘটে। এই মন্দিৰৰ ওচৰতে এখন সংস্কৃত স্কুলো আছে। ইয়াৰ কিছুদূৰত হাইস্কুল, এখন উচ্চতৰ মাধ্যমিক বিদ্যালয়, এখন প্ৰাথমিক বিদ্যালয়ৰ লগতে ৰংজুলি গাঁও পঞ্চায়ত অৱস্থিত।

এনেদৰে বিভিন্ন দিশৰ পৰা ৰংজুলি অঞ্চলৰ ভৌগলিক অৱস্থান অতি বিচিত্ৰ ৰূপত দেখা যায়। ৰংজুলি অঞ্চলৰ চাৰিসীমা - পূবে - শালঝাৰ, পশ্চিমে - শ্মশান, উত্তৰে - খেতিপথাৰ, দক্ষিণে - বহুগাঁও, পাহাৰ।

**ৰংজুলি অঞ্চলৰ জনগাঁথনিঃ**

গোৱালপাৰা জিলাৰ পূব দিশত অৱস্থিত এই অঞ্চলটোত কোচ ৰাজবংশী, কলিতা, ৰাভা, বড়ো আদি জনগোষ্ঠীৰে ভৰপূৰ। ইয়াত বসবাস কৰা বিভিন্ন জনগোষ্ঠীসকলৰ মাজত বিভিন্ন ধৰ্ম, বৰ্ম, ভাষা, সংস্কৃতি আদিৰে মহীয়ান হৈ থকা বাবে বাৰে বৰণীয়া সমাজৰ একতাৰ এনাজৰীডাল অতি সুদৃঢ় ৰূপত গঢ় লৈ এক মহান মানৱ জাতি গঢ়ি উঠিছে। সুদূৰ ভৱিষ্যতলৈও এই বিভিন্ন জনগোষ্ঠীৰ মাজত ঐক্য সংহতি সুদৃঢ় কৰি ৰখাত সহায় কৰিছে একমাত্ৰ ধৰ্মীয় চিন্তাধাৰাৰ মানৱতাবাদেৰে। অতীতৰে পৰা এই জনগোষ্ঠীসমূহৰ মাজত এক মধুৰ সম্পৰ্ক বৰ্তী আছে। এই অঞ্চলটোত হোৱা বিভিন্ন পূজা, উৎসৱ-পাৰ্বণত সকলোৱে মিলি অংশগ্ৰহণ কৰে।

**ৰংজুলি অঞ্চলৰ সাংস্কৃতিক পৰিচয়ঃ**

ৰংজুলি অঞ্চলটোত বিশেষ কৃতিত্ব অৰ্জন কৰিব পৰাকৈ কোনো কলা-সংস্কৃতিৰ চৰ্চা আগতে হোৱা নাছিল বুলিব পাৰি। লোক সংস্কৃতিৰ ক্ষেত্ৰত অৱশ্যে গাঁৱৰ লোকসকল কিছু সচেতন। গীত-মাতৰ ক্ষেত্ৰত লোকগীত বা বনগীত গোৱা মানুহৰ সংখ্যা যথেষ্ট আছে যদিও তেওঁলোকৰ কোনেও অনাতাঁৰ শিল্পী বা বিশেষ জনপ্ৰিয় হ'ব পৰা নাই। বহু আগৰ পৰাই এই অঞ্চলত যাত্ৰাভিনয় প্ৰচেষ্ট চলিছিল। ৰংজুলিৰ বহু কেইজন ব্যক্তিয়ে যাত্ৰা পাৰ্টীত অভিনয় কৰি দক্ষতা দেখুৱাব পাৰিছে। বৰ্তমান যাত্ৰাপাৰ্টী নাই যদিও ইয়াৰ প্ৰতি আকৰ্ষণ কমা নাই। এতিয়া অৱেশ্য আধুনিক গীত মাতৰ চৰ্চা আৰু বিভিন্ন ধৰণৰ নৃত্য চৰ্চা কম-বেছি পৰিমাণে চলি আছে।

এই ৰংজুলি অঞ্চলৰ যুৱক-যুৱতী, শিশুসকলো গাঁৱৰ মাজত গীত, জিকিৰ গোৱাৰ উপৰিও বিহু নৃত্য, একক নৃত্য, দলীয় নৃত্য, বড়ো নৃত্য আদি আন ঠাইৰ মঞ্চ প্ৰতিযোগিতাসমূহতো অংশগ্ৰহণ কৰে। প্ৰত্যেকৰে সংস্কৃতি বেলেগ বেলেগ যদিও সকলোৱে সকলৰ সংস্কৃতিক সন্মান কৰে। বহাগ বিহুৰ সময়ত এই ৰংজুলি অঞ্চলত বসবাস কৰা সকলোৱে মিলিজুলি মঞ্চ বিহু উদযাপন কৰে। একদৰে বড়োসকলৰ বাথৌ, লেঙামাৰা, গোহালি পূজা আদি পূজাবোৰত সকলোৱে ভাগ লয় আৰু মিলপ্ৰীতিৰে কৰে।

ৰংজুলি অঞ্চলৰ বিয়া আদিৰ ক্ষেত্ৰতো নাথ, কলিতা, ৰায়, বড়ো, গাৰো, ৰাভা, মুছলিম আদি সকলো সম্প্ৰদায়ৰ লোকৰ মাজত অহা-যোৱা, সহায়-সহানুভতিৰ ভাব দেখা পোৱা যায়। ৰংজুলি অঞ্চলৰ মন্দিৰ, সভা, পূজা-পাৰ্বণ, কায়স্থপাৰা গাঁৱৰ দৌল উৎসৱ, ৰাস পূজা আদি মঞ্চত সাংস্কৃতিক সন্ধিয়া

উদযাপন কৰা হয়। ইয়াত সকলো সম্প্ৰদায়ৰ লোকে একেলগে উপভোগ কৰে। নৃত্য গীত আদিত অংশ গ্ৰহণ কৰে। ৰংজুলি অঞ্চলৰ লোকসকলৰ মাজত আগৰ তুলনাত বৰ্তমান সাংস্কৃতিক দিশত বহুখিনি আগুৱাই যাব পাৰিছে।

**ৰংজুলি অঞ্চলৰ বাঁহৰ ভূমিকাঃ**

অতি পুৰণি কালৰে পৰা গোৱালপাৰা জিলাৰ ৰংজুলি অঞ্চলত বাঁহ গছে গুৰুত্বপূৰ্ণ ভূমিকা বহন কৰি আহিছে। বাঁহ গছ মানৱ জীৱৰ সহায় সাৰথী জীৱন-মৰণৰ সহযাত্ৰী। আমাৰ ৰংজুলি অঞ্চলত বিভিন্ন প্ৰজাতিৰ বাঁহ গছ আছে। তাৰ ভিতৰত ভলুকা, জাতি, জাউঠি, তাৰি আদি বাঁহসমূহ প্ৰচুৰ পৰিমাণে আছে। এই অঞ্চলৰ প্ৰতিঘৰ মানুহৰে বাৰীৰ পাছফালে বাঁহ বাগানত প্ৰচুৰ পৰিমাণে বাঁহ গছ দেখা যায়। আমাৰ ৰংজুলি অঞ্চলৰ প্ৰায় সকলো মানুহৰ ঘৰতে গোহালি ঘৰ, ৰান্ধনী ঘৰ, হাঁহ-কুকুৰাৰ গড়াল আদি আছে। এই বাঁহসমূহৰ খুঁটা, বেৰ, চাল, দৰ্জা আদি বাঁহৰ পৰাই সজা হয়। কিচুসংখ্যক মহিলাই এতিয়াও ৰান্ধনী শালত সন্ধিয়া সময়ত ভাত ৰান্ধোতে চাকি বা দত ব্যৱহাৰ কৰে আৰু এই চাকি ৰখা সজুলি বিধক ৰংজুলি অঞ্চলত 'গাছা' বুলি কয়। এই গাছাখন বাঁহেৰে তৈয়াৰী। জুই ফুৰাবলৈ বাঁহৰ চুঙাও ব্যৱহাৰ কৰে আৰু দেখা পাও যে, কিছুসংখ্যক লোকৰ ঘৰত এতিয়াও ৰন্ধন কাৰ্যত বাঁহেৰে তৈয়াৰী সামগ্ৰী ব্যৱহাৰ কৰে। ইয়াৰ উপৰি কৃষকসকলে কৃষি কাৰ্যত ব্যৱহাৰ কৰা সঁজুলি যেনে - যুৱলী, এচাৰি, মৈ, দাকৰা আদিৰ প্ৰস্তুতকৰণ বাঁহৰ পৰাই হয়। এনেদৰে আৰু বহুধৰণৰ সঁজুলি বাঁহৰ পৰা সাজি উলিয়াব পাৰি।

শিপিনীসকলে তাঁত ববলৈ ব্যৱহাৰ কৰা প্ৰায়বোৰ সঁজুলি বাঁহেৰে তৈয়াৰী। যেনে- উঘা, চেৰেকী, চেৰি, গুৰি, বচুঙা, বাটি কড়া খুটি, তাঁতৰ খুঁটা আদি সকলোবোৰ সামগ্ৰীয়েই তাতশালৰ বাবে ্তি প্ৰয়োজনীয়। ৰংজুলি অঞ্চলত ঝাৰু আৰু ধূপকাঠি সকলো দুখীয়া শ্ৰেণীৰ লোকে উৎপাদন কৰে আৰু বজাৰত বিক্ৰী কৰি অৰ্থ উপাৰ্জন কৰি নিজৰ পৰিয়াল চলোৱাত সহায় হৈছে। এই অঞ্চলৰে সৰদাৰপাৰা গাঁৱৰ শ্ৰীযুত কন্দৰ্প কলিতাই (ককা) আজিৰ পৰা প্ৰায় চল্লিশ বছৰ আগৰ পৰাই কুটিৰ শিল্প তৈয়াৰ কৰি আহিছে। সেইবোৰৰ ভিতৰত জাপি, কুলা, ডলা, চালনি, বৰ চালনি, জাকৈ, খালৈ, পাচি, খৰাহী, উষা, চেৰেকী, ঢাৰী আদি।

তেওঁ বাঁহৰ পৰা উৎপাদিত এই সামগ্ৰীসমূহ ওচৰৰ সাৱাপাৰা, আমজোঙা, দৰংগিৰি, ধনুভাঙা আদি বজাৰত বিক্ৰী কৰে। গতিকে বাঁহগছ এবিধ অতি প্ৰয়োজনী উদ্ভিদ। এইবিধ উদ্ভিদক বাদ দি মানুহে জীৱন-যাপন কৰাটো সম্ভৱ নহয়।

গৰু, ম'হ আদি পোহনীয়া জন্তুবোৰক দৰখ দিবলৈ খুটি ব্যৱহাৰ কৰা হয় আৰু এই খুটি বাহেৰে তৈয়াৰী। ঘৰৰ ভেটি মাটিৰ সীমা বা চৌপাশটো ঘেৰীবলৈ গড় খাৰৈৰ ওপৰত জেওৰা দিয়া হয় আৰু এই জেওৰাবোৰ সাধাৰণতে বাঁহেৰে বন্ধা হয়। এই অঞ্চলৰ প্ৰায়ভাগ লোকৰ ঘৰতে ফুলৰ বাগিচা আছে আৰু এই বগিচাসমূহ সুৰক্ষিত কৰি ৰাখিবলৈ চাৰিওফালে বাঁহৰ জেৰৱা দিয়া দেখা যায়।

